সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২৯ সংখ্যা, ৫ শাওণ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.29 Date Of Publication - 21 July 2024 Rs.10.00/-

## উত্তপ্ত বাংলাদেশৰ পৰা নিৰাপদে স্বদেশলৈ উভতিল এহেজাৰ ছাত্ৰ-ছাত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ছাত্ৰ বিদ্ৰোহত কঁপিছে বাংলাদেশ। দেশখনৰ চৰকাৰী নিযুক্তিত সংৰক্ষণ ব্যৱস্থাৰ বিৰুদ্ধে ছাত্ৰ আৰু নিৰাপত্তাৰক্ষীৰ সংঘৰ্ষই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। প্ৰতিবাদী ছাত্ৰ আৰু নিৰাপত্তা বাহিনীৰ মাজত চলি থকা সংঘৰ্ষত মৃতকৰ সংখ্যা ১১৫জনলৈ বৃদ্ধি পাইছে। ইপিনে ছাত্ৰ বিদ্ৰোহত বাংলাদেশত পৰিস্থিতি জটিলৰ পৰা জটিলতৰ হৈ পৰাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ দেশতে অনিৰ্দিষ্টকাললৈ সান্ধ্য আইন জাৰি কৰা হৈছে। সমগ্ৰ দেশতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সেনা মোতায়েন কৰা হৈছে। ৰাজধানী চহৰত ইতিমধ্যে জনসমাগম নিষিদ্ধ কৰা হৈছিল যদিও প্ৰতিবাদী ছাত্ৰ সমাজে চৰকাৰবিৰোধী স্থিতি লৈ পৰিস্থিতি উত্তপ্ত কৰি ৰাখিছে। আৰক্ষী, বিডিজি, ৰায়ত পুলিচ, আৰএপি মোতায়েন কৰিও পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰাত অৱশেষত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ চৰকাৰে সমগ্ৰ দেশতে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সেনা মোতায়েন কৰিছে। ৰে'লকে ধৰি যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যাহত হোৱাৰ উপৰি যোগাযোগ ব্যৱস্থা বন্ধ হৈ আছে দেশখনত। আনপিনে ছাত্ৰ বিদ্ৰোহত ৰক্তাক্ত হৈ উঠা বাংলাদেশৰ পৰিস্থিতি সন্দৰ্ভত ৰাষ্ট্ৰসংঘই প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। বিশ্বৰ সৰ্বোচ্চ সংস্থা ৰাষ্ট্ৰসংঘই ছাত্ৰৰ ওপৰত আৰক্ষীৰ অত্যাচাৰ গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চৰকাৰখনক আলোচনাৰ পন্থা ল'বলৈ পৰামৰ্শ আগবঢ়াইছে। ইপিনে অশান্ত বাংলাদেশৰ পৰা ভাৰতীয় শিক্ষাৰ্থী স্বদেশলৈ উভতি অহাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শৈক্ষিক প্ৰতিষ্ঠানসমূহ অনিৰ্দিষ্টকাললৈ বন্ধ দিয়াৰ-পৰিপ্ৰেক্ষিতত প্ৰায় এহাজাৰ ভাৰতীয় শিক্ষাৰ্থী স্বদেশলৈ উভতি আহিছে। স্থলপথেৰে

(দহ পৃষ্ঠাত চাওক)

## ৰাঁচীত বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাঁচীত বিজেপি দলৰ বৰ্ধিত কাৰ্যনিৰ্বাহক বৈঠকত ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বিজেপিৰ সহঃপ্ৰভাৰী অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। এই বৈঠকত অংশগ্ৰহণ কৰি এখন সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হেমন্ত ছোৰেন নেতৃত্বাধীন জে এম এম চৰকাৰ আৰু কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰে। জে এম এমৰ শাসনকালত ৰাজ্যখনত মা-ভনীৰ ওপৰত নিৰ্যাতন আৰু ধৰ্ষণৰ ঘটনা চলি অহাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এতিয়া নিৰ্বাচনৰ সন্মুখত জে এম এম চৰকাৰে মহিলাসকলক মাহে এহেজাৰ টকাকৈ দিয়াৰ কথা কৈছে। যদি চৰকাৰখনৰ নৈতিকতা আছে তেনেহ'লে ৫ বছৰীয়া শাসনকালত মা-ভনীসকলক দিবলগীয়া ৬০ মাহৰ টকা আদায় দিয়ক। ৰাহুল গান্ধীয়ে মহিলাসকলক মাহে ৮, ৫০০ টকাকৈ দিয়াৰ কথা কৈছে। ঝাৰখণ্ড, কৰ্ণাটক, তেলেংগানাত যিহেতু তেওঁলোকৰ চৰকাৰ আছে সেয়ে সেই ৰাজ্যসমূহত ৰাহুল গান্ধীয়ে নিৰ্বাচনী প্ৰচাৰত কোৱাৰ দৰে মহিলাসকলক মাহে ৮, ৫০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কংগ্ৰেছ চৰকাৰ মিছাৰ সদাগৰ বুলি সমালোচনা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যখনত বাবুলাল মাৰাণ্ডীৰ নেতৃত্বত বিজেপিয়ে কাম আৰম্ভ কৰিছে। নিৰ্বাচনী ইস্তাহাৰ প্ৰস্তুতৰ কামো আৰম্ভ কৰিছে। অহা ৫ বছৰত বিজেপিয়ে ৰাজ্যখনক কেনেদৰে আগুৱাই নিব সেই পৰিকল্পনা আৰম্ভ কৰিছে। যোৱাবাৰ ৰামনৱমীৰ শোভাযাত্ৰাৰ সময়ত ৰাজ্যখনৰ এখন গাঁৱত এটা বিশেষ সম্প্ৰদায়ৰ লোকে জয় শ্ৰীৰাম ধ্বনি দিয়াত বাধা প্ৰদান কৰাৰ লগতে পতাকাও নমাবলৈ দিছিল। অথচ আমাৰ দেশৰ জাতিৰ পিতা মহাত্মা গান্ধীয়েও মৃত্যুৰ আগমুহূৰ্তত উচ্চাৰণ কৰা শেষ শব্দটো আছিল 'হে্য ৰাম'। হে্য ৰাম উচ্চাৰণ কৰিহে তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল। ৰাম আমাৰ ধৰ্মৰ ভগৱানেই নহয়, প্ৰত্যেক

(দহ পৃষ্ঠাত চাওক)

### সম্পাদকীয় শিতান.....

## ব'ল বম

দেৱাশীষ গোস্বামী








শাওণ মাহ, মহাদেৱৰ মাহ। লোক বিশ্বাস মতে দেৱাদিদেৱ মহাদেৱ এই শাওণ মাহতেই মৰ্ত্যলৈ নামি আহে তেখেতৰ ভক্তগণক আৰ্শীবাদ দিবলৈ। ভক্ত সকলেও পাৰ্য্যমানে শাওণ মাহটো সাত্ত্বিক ভাবে পাৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে।

শাওণ মাহ অহাৰ লগে লগে আমাৰ প্ৰায় সকলোৰে মনত ক্ৰিয়া কৰে মূলত দুটা শব্দই, ব'ল ব'ম। ব'ল ব'ম অবিহনে শাওণ মাহ কল্পনাই কৰিব নোৱাৰি। পিছে শাওণ মাহে ভূমুকি মৰাৰ লগে লগে আমাৰ দৰে সৰ্বসাধাৰণ ৰাইজৰ বুকুৰ ঢপঢপনি বঢ়াই তোলে। ব'ল ব'মৰ নামত গা কৰি উঠা বন্য সংস্কৃতিৰ কবলত বৰ্তমানৰ যুৱ সমাজ। যুৱ উশৃংখলতাৰ এক উত্তম নিৰ্দশন আজিৰ ব'ল ব'ম। ক'ত যে দুৰ্ঘটনাৰ কাৰক এই ব'ল ব'ম ।উচ্চ স্তৰৰ চাউণ্ড চিষ্টেমৰ গ্ৰাসত আজিৰ ব'ল ব'ম। গোটেই নিশা টোপনি হৰণৰ কাৰক হৈ পৰিছে এই ব'ল ব'ম। হাৰ্টৰ ৰোগী সকলৰ বাবে দুঃসময় কঢ়িয়াই আনে ব'ল ব'মৰ কাণ তাল মাৰি যোৱা চাউণ্ড চিষ্টেম সমূহে। মুঠতে অপসংস্কৃতিৰ গ্ৰাসত আজিৰ যুৱ প্ৰজন্মৰ ব'ল ব'ম ।

ব'ল ব'মৰ প্ৰাক ক্ষণত মহাদেৱৰ শ্ৰী চৰনত কাতৰ অনুৰোধ, সকলোকে সুমতি দিয়ক, ব'ল ব'মৰ নামত গা কৰি উঠা বন্য সংস্কৃতিৰ পৰিসমাপ্তি হওঁক, অনাকাংক্ষিত দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ মহাদেৱৰ কৃপা প্ৰাপ্তি হওঁক। পুনৰ এক সুস্থ সৰল বাতাবৰণে গা কৰি উঠক শাওণ মহিয়া মহাদেৱৰ আৰাধনাত।

# দৰঙৰ তিনিটাকৈ আয়ুষ্মান আৰোগ্য মন্দিৰলৈ ৰাষ্ট্ৰীয় স্বীকৃতি




ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলা স্বাস্থ্য বিভাগে পুনৰ ৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে । ৰাষ্ট্ৰীয় গুণগত মান্যতা নিশ্চিতকৰণৰ অধীনত জিলাখনৰ তিনিটাকৈ আয়ুষ্মান আৰোগ্য মন্দিৰে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হোৱা আয়ুষ্মান আৰোগ্য মন্দিৰ তিনিটা হ'ল ক্ৰমে, পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত শালিকাঝাৰ আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ছিপাঝাৰ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত সানোৱা আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ব্যাসপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰ। উল্লেখ্য যে, চলিত বৰ্ষৰ জুন মাহত এই স্বীকৃতি লাভৰ বাবে স্বাস্থ্যকেন্দ্ৰ কেইটাত প্ৰয়োজনীয় অন্তিম পৰ্য্যায়ৰ মূল্যায়ন সম্পন্ন হৈছিল। নেচনেল হেলথ্ চিষ্টেম ৰিছ'ৰ্চ চেণ্টাৰৰ মূল্যায়নকাৰী দলে আহি স্বাস্থ্যকেন্দ্ৰ তিনিটা পৰ্যবেক্ষণ কৰিছিল । স্বাস্থ্য কেন্দ্ৰকেইটাই আগবঢ়োৱা সেৱা আৰু গুণগত মানৰ বাবে অন্তিম পৰ্য্যায়ৰ মূল্যায়নত শালিকাঝাৰ আয়ুষ্মান আৰোগ্য মন্দিৰে ৯০.৭৫ %, সানোৱা আয়ুষ্মান আৰোগ্য মন্দিৰে ৯০.০৪% আৰু ব্যাসপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰে ৮৪.০৪% নম্বৰ লাভ কৰি এই সন্মান লাভ কৰিবলৈ সক্ষম হৈছে । এই সন্মান লাভ কৰি আনন্দিত হৈ পৰিছে দৰং জিলা স্বাস্থ্য বিভাগ তথা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান দৰঙৰ প্ৰতিগৰাকী বিষয়া কৰ্মচাৰী। এই ৰাষ্ট্ৰীয় স্বীকৃতি লাভৰ বাবে আৰোগ্য মন্দিৰ তিনিটা, দুয়োখন খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী, জিলা পৰ্য্যায়ৰ বিষয়া-কৰ্মচাৰী আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ৰাজ্যিক পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী সকললৈ দৰং জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ ভট্টাচাৰ্যই বিশেষ ধন্যবাদ জ্ঞাপন কৰিছে ।

# কাছাৰত আৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত সংঘৰ্ষ

ৰঙিলী বাৰ্ত্তাসেৱা- কাছাৰত অসম আৰক্ষী আৰু উগ্ৰপন্থী কেডাৰৰ মাজত তুমুল সংঘৰ্ষ। ভুৱন পাহাৰত সংঘটিত হয় এই ঘটনা। আৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত সংঘটিত হোৱা গুলীয়াগুলীত নিহত হয় ৩ মাৰ জংগী উগ্ৰপন্থী। জানিব পৰা মতে, মঙলবাৰে বিয়লি এক গোপন সূত্ৰৰ পম খেদি কাছাৰ জিলাৰ ধলাই গংগা নগৰত কাছাৰ আৰক্ষীয়ে অভিযান চলাই এটা AK-47, এটা পিষ্টল আৰু কেবাজাঁই গুলীসহ আটক কৰিছিল তিনিজন যুৱকক। আটকাধীন তিনি যুৱক উগ্ৰপন্থী সংগঠনৰ সদস্য বুলি সন্দেহ কৰা হৈছিল। নিশা ধৃত তিনি উগ্ৰপন্থী সদস্যক লগত লৈ আৰক্ষী অধীক্ষক নোমাল মাহাত্তাৰ নেতৃত্বত কাছাৰ আৰক্ষীৰ এটা দল অসম-মিজোৰাম সীমান্তৰ ভূবন পাহাৰত অভিযানত নামিছিল। সেই সময়তে অভিযানৰ উমান পাই হঠাৎ পাহাৰত লুকাই থকা আন উগ্ৰপন্থী সংগঠনটোৰ আন কেডাৰসকলে আৰক্ষীক লক্ষ্য কৰি অতৰ্কিতে গুলীবৰ্ষণ আৰম্ভ কৰে। প্ৰতুত্তৰত আৰক্ষীয়েও গুলীচালনা কৰে। প্ৰায় ১ ঘণ্টা সময় ধৰি আৰক্ষী আৰু উগ্ৰপন্থীৰ দলৰ মাজত চলে এই গুলীয়াগুলী। দুই পক্ষৰ মাজত চলা প্ৰচণ্ড গুলীচালনাত গুলীবিদ্ধ হৈ মৃত্যু হয় আৰক্ষীয়ে লগত লৈ যোৱা তিনি উগ্ৰপন্থী কেডাৰৰ। মৃত তিনি উগ্ৰপন্থী কেডাৰৰ মাজৰ দুজন কাছাৰৰ আৰু এজন মণিপুৰৰ বাসিন্দা বুলি জানিব পৰা গৈছে। ইফালে এই ঘটনাত আহত হৈছে তিনিজন আৰক্ষী কৰ্মীও। লগতে গুলীবৰ্ষণৰ ফলত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে কাছাৰ আৰক্ষীৰ কেইবাখনো বাহন। মৃত তিনি যুৱক মাৰ উগ্ৰপন্থী সংগঠনৰ কেডাৰ বুলি জানিব পৰা গৈছে।

# কুম্ভকৰ্ণৰ সুখ নিদ্ৰা তথা আউনীআটী, গোসাঁই-গাঁও বাসীৰ চকুলো



ৰঙিলী বাৰ্ত্তাসেৱা- নীল আৰ্মষ্ট্ৰং, এডুয়িন এলড্ৰিন আৰু মাইকেল কলিন্সে ১৯৬৯ চনৰ ১৬ জুলাই তাৰিখে চন্দ্ৰপৃষ্ঠত অৱতৰন কৰি বৃহৎ বৃহৎ গাত বোৰৰ সৈতে পৃথিৱীলৈ প্ৰেৰণ কৰা চন্দ্ৰপৃষ্ঠৰ ফটোবোৰৰ লগত উপৰোক্ত ফটোখিনিৰ সাংঘাটিক সাদৃশ্য নাইনে বাৰু? নাইবা সভ্যতাৰ সম্পূৰ্ণ পোহৰ নপৰা অতি দুৰ্গম অঞ্চলৰ বাট পথ যেন লগা নাইনে বাৰু? পিছে মৰণফাণ্ড সদৃশ উক্ত পথটো নগাঁও জিলাৰ লগতে অসম তথা ভাৰতবৰ্ষৰ গৌৰৱ ১২৬ ফুট উচ্চতাৰ পৃথিৱীৰ সৰ্ববৃহৎ লিঙ্গাকাৰ মহামৃত্যুঞ্জয় মন্দিৰলৈ প্ৰবেশৰ মূল পথ সমূহৰ এটা। প্ৰতিদিনে শত সহস্ৰজন দৰ্শনাৰ্থীৰ লগতে গোসাঁইগাঁও তথা ওচৰে পাজৰে থকা কেইবাখনো গাৱঁৰ মূল সংযোগী পথ আউনীআটী হৈ অহা এই পথটোৱেই। নগাঁৱৰ দিশৰ পৰা আহি আউনীআটী গেটৰ সন্মুখত থকা ইউ(u) টাৰ্ণটোৰে দুই এজনে আউনীআটীৰ উক্ত জৰাজীৰ্ণ পথটো এৰাই চলিবলৈ যথেষ্ট এছোৱা বাট অতিক্ৰম কৰি নৰ্তম গাৱঁৰ পথটো ব্যৱহাৰ কৰা দেখা যায় যদিও আকাশলঙ্ঘী পেট্ৰল, ডিজেলৰ দামৰ দিনত গৰিষ্ঠ সংখ্যকেই বাধ্য উক্ত জৰাজীৰ্ণ পথটো ব্যৱহাৰ কৰিবলৈ। পুনৰ গোসাঁইগাৱঁৰ পৰা ওলাই আমনি মিছা তথা উজনিৰ ফালে যাবলৈ আউনীআটীৰ পথটোৱেই হাইৱে লৈ একমাত্ৰ চমু পথ। পিছে উপযুক্ত মেৰামতিৰ অভাৱত দায়িত্বত থকা সংশ্লিষ্ট মহলৰ কুম্ভকৰ্ণ নিদ্ৰাৰ বাবে উক্ত পথেদি অহা যোৱা কৰা অসংখ্য যাত্ৰী তথা মূলতঃ আউনীআটী বাসীয়ে যথেষ্ট জীয়াতু ভুগিবলগীয়া হৈছে। নগাঁও দিশেৰে আহি আউনীআটী তথা পাৰ্শ্বৱৰ্তী এলেকা সমূহৰ মূল প্ৰবেশ পথটোৰ জৰাজীৰ্ণ অৱস্থাই আউনীআটী শাখা সত্ৰৰ লগতে মহামৃত্যুঞ্জয় মন্দিৰলৈ অহা ভক্ত গণৰ আনন্দ যথেষ্ট হ্ৰাস কৰাৰ লগতে যি কোনো সময়ত এক ভয়ংকৰ দুৰ্ঘটনাৰ অশনি সংকেত কঢ়িয়াই আনিছে। এতিয়া মাথো অপেক্ষা উক্ত পথছোৱাৰ দায়িত্বত থকা সংশ্লিষ্ট মহলৰ সুখ নিদ্ৰা ভংগ হোৱালৈ।

# যোৰহাটত দেউৰাম তাছা স্মৃতি দিৱস পালন

ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাট জিলা সাহিত্য সভা আৰু গৱেষক-সাহিত্যিক দেউৰাম তাছা স্মৃতি-ৰক্ষা সমিতিৰ উদ্যোগত ১৮ জুলাইত দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ প্ৰেক্ষাগৃহত দেউৰাম তাছা স্মৃতি দিৱস পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি প্ৰতি বছৰে প্ৰদান কৰি অহা 'দেউৰাম তাছা স্মাৰক বঁটা' ২০২৪ বৰ্ষৰ বাবে অসমৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক ড°ৰীতা চৌধুৰীক আৰু 'ডিম্বেশ্বৰ তাছা স্মাৰক বঁটা' বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক অনিল তাঁতীক প্ৰদান কৰা হয়। বৰভেটা শাখা সাহিত্য সভাৰ সদস্যাসকলে পৰিৱেশন কৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটি সঞ্চালনা কৰে যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ভৱ গোস্বামীয়ে আৰু উদ্বোধন কৰে অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ তথা যোৰহাট বিধান সভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে। উদ্বোধনী ভাষণত গোস্বামীয়ে অসমৰ সামাজিক-সাংস্কৃতিক জীৱনলৈ দেউৰাম তাছাদেৱে আগবঢ়াই যোৱা অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে তেওঁ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় প্ৰাংগনত সভাৰ প্ৰথমগৰাকী প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ এটি পূৰ্ণাবয়ব প্ৰতিমূৰ্তি স্থাপনৰ বাবে অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ক্ষীৰোদ দাসে আঁত ধৰা এই অনুষ্ঠানৰ আৰম্ভণিতে যোৰহাট



জিলা সাহিত্য সভাৰ উপসভাপতি মহেন্দ্ৰনাথ হাজৰিকাই দেউৰাম তাছাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে। স্মৃতি তৰ্পণ কৰে দেউৰাম তাছা শাখা সাহিত্য সভাৰ সম্পাদক অভিৰাম তাছাই। অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকাই এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। নিজা বক্তব্যত ড° হাজৰিকাই কয় যে অসমৰ সমাজ জীৱন আৰু অসমীয়া সাহিত্যক সমৃদ্ধ কৰি যোৱা দেউৰাম তাছাদেৱক অসমীয়া জাতিয়ে সদায় শ্ৰদ্ধাৰে স্মৰণ কৰিব। নিৰ্দিষ্ট বক্তা হিচাপে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই 'অসমীয়া সাহিত্যলৈ চাহ-জনগোষ্ঠীৰ অৱদান' বিষয়ত বক্তৃতা প্ৰদান কৰে। দেউৰাম তাছাদেৱৰ স্মৃতি দিৱস উপলক্ষ্যে প্ৰকাশ কৰা কবিতা তাছা সম্পাদিত 'আল্পনা' নামৰ পত্ৰিকাখনি উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক, বিশিষ্ট আভিধানিক ড° বসন্ত কুমাৰ গোস্বামীয়ে। অনুষ্ঠানৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ উপসভাপতি ডা° গিৰীশ সন্দিকৈয়ে বক্তব্য আগবঢ়ায়। বঁটা প্ৰদান অনুষ্ঠানৰ আঁত ধৰে কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ক্ষীৰোদ দাস আৰু সভাৰ জিলা প্ৰতিনিধি মাধৱ মহন্তই। 'দেউৰাম তাছা স্মাৰক বঁটা-২০২৪' গ্ৰহণ কৰি ড°ৰীতা চৌধুৰীয়ে তেওঁৰ

(দহ পৃষ্ঠাত চাওক)

# উত্তৰ প্ৰদেশৰ গোণ্ডাত দুৰ্ঘটনাত পতিত ডিব্ৰুগড় এক্সপ্ৰেছ



ৰঙিলী বাৰ্তাসেৱা- উত্তৰ প্ৰদেশৰ গোণ্ডাত সংঘটিত হৈছে এক ভয়ংকৰ ৰে'ল দুৰ্ঘটনা। এইবাৰ দুৰ্ঘটনাত পতিত হ'ল ১৫৯০৪ নং ডিব্ৰুগড় এক্সপ্ৰেছ। চণ্ডীগড়ৰ পৰা ডিব্ৰুগড় অভিমুখী আছিল দুৰ্ঘটনাত পতিত ৰে'লখন। চণ্ডিগড়-ডিব্ৰুগড় এক্সপ্ৰেছখনৰ কেইবাটাও ডবা লাইনচ্যুত হৈ বাগৰি পৰিছে। লক্ষ্ণৌ সংমণ্ডলৰ গোণ্ডা আৰু মানকপুৰ ষ্টেশ্যনৰ মাজত সংঘটিত হৈছে এই দুৰ্ঘটনা। এই ঘটনাত ৪ জনকৈ যাত্ৰী নিহত হোৱাৰ খবৰ পোৱা গৈছে। আনহাতে আহত হৈছে আন বহু কেইজন যাত্ৰী। জানিব পৰা মতে ৰে'লখনৰ ১২ টা ডবা লাইনচ্যুত হৈছে। ইয়াৰে ৫ টা ডবা বাগৰি পৰিছে। এটা ডবা লাইনৰ পৰা আঁতৰি বহু দূৰত গৈ বাগৰি পৰিছে। এই ঘটনাৰ পাছতে ততাতৈয়াকৈ উদ্ধাৰকাৰীয়ে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৪ খন এম্বুলেঞ্চ ঘটনাস্থলীত উপস্থিত হৈ আহতসকলক ৰে'লৰে হাস্পতাললৈ লৈ গৈছে। ইয়াৰোপৰি জিলা প্ৰশাসন আৰু

*(দহ পৃষ্ঠাত চাওক)*

# গোৱালপাৰাত এনকাউণ্টাৰৰ ঘটনা সংঘটিত

ৰঙিলী বাৰ্তাসেৱা- গোৱালপাৰাত সংঘটিত হয় এনকাউণ্টাৰৰ ঘটনা। ব্যৱসায়ী অশোক গোৰেল হত্যাকাণ্ডৰ তদন্তৰ আওঁতাত সোমাই পৰা গোৰেলৰ গাড়ী চালক আচান আলীৰ লগতে আন এগৰাকী আটকাধীন অভিযুক্ত আৰক্ষীৰ গুলীত আহত হৈছে। গোৱালপাৰা আৰক্ষীৰ মাৰাথন জেৰাত অশোক গোৰেলৰ গাড়ী চালক আচান আলীয়ে স্বীকাৰ কৰিছিল হত্যাৰ ষড়যন্ত্ৰৰ বিষয়ে। সেই স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে চহৰৰ নিকটৱৰ্তী মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ৪ নং বলদমাৰী চৰৰ নিজা বাসগৃহৰ পৰা জাহিদুল ইছলাম নামৰ আন এগৰাকী অভিযুক্তক আটক কৰে। বিশেষ সূত্ৰে জানিব পৰা মতে যোৱা ১৪ জুলাইত শ'লমাৰী-গোৱালপাৰা পথত আগচি ধৰি ব্যৱসায়ী আশোক গোৰেলক পুত্ৰৰ সন্মুখতে শূন্য দূৰত্বৰ পৰা গুলীয়াই হত্যা কৰা চাৰি-পাঁচজনীয়া হত্যাকাৰী দুৰ্বৃত্তৰ দলটোৰ গাড়ী চালক আছিল জাহিদুল ইছলাম। সূত্ৰটোৱে সদৰী কৰা মতে, আশোক গোৰেলৰ গাড়ী চালক আচান আলীও ডকাইতৰ দলৰ সদস্য আছিল। অশোক গোৰেলৰ লোমহৰ্ষক হত্যাকাণ্ডৰ তদন্তৰ আওতাত সোমাই পৰা ডকাইত তথা দুই গাড়ীচালক আচান আলী আৰু জাহিদুল ইছলামক বুধবাৰে তদন্তকাৰী আৰক্ষীৰ উচ্চপদস্থ বিষয়াই সমগ্ৰ দিন ধৰি আগিয়া থানাত পৃথকে পৃথকে মাৰাথন জেৰা অব্যাহত ৰাখিছিল। ইয়াৰ মাজতে সন্ধিয়া হত্যাকাণ্ড সংঘটিত হোৱা শ'লমাৰী-গোৱালপাৰাৰ পথৰ বিশেষ স্থানলৈ আটকাধীন দুই অভিযুক্ত গাড়ীচালকক আৰক্ষীয়ে ঘটনাস্থলী পৰ্যবেক্ষণ কৰিবলৈ নিয়ে। পিচত ঘটনাস্থলী পৰ্যবেক্ষণ কৰি উভতি আহিবলৈ ধৰোঁতেই দুই অভিযুক্তই পলাবলৈ চেষ্টা কৰে। এনে অৱস্থাত আৰক্ষীয়ে দুয়োৰৈ লক্ষ্য কৰি কেইবাজাঁই গুলীচালনা কৰে। আৰক্ষীৰ গুলীত দুই গাড়ী চালকৰূপী ডকাইত আহত হয়। পিচত আৰক্ষীয়ে দুয়োকে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। ইয়াৰে এগৰাকীৰ দুয়োভৰিত আৰু আৰু এগৰাকীৰ সোঁভৰিত গুলিবিদ্ধ হয়। দুয়ো সম্প্ৰতি আৰক্ষীৰ কটকটীয়া বেষ্টনীৰ মাজত চিকিৎসাধীন হৈ আছে। জানিব পৰা মতে দুয়ো বৰ্তমান বিপদমুক্ত।

# সাহসৰ উদ্যোগত মাজুলী উন্নয়ন খণ্ডত অনাময় কৰ্মীৰ প্ৰশিক্ষণ অনুষ্ঠান



বিকাশ শইকীয়া, মাজুলী, ৰঙিলী বাৰ্তাসেৱা- মাজুলী উন্নয়ন খণ্ডৰ কনফাৰেন্স হলত সাহসৰ উদ্যোগত জনস্বাস্থ্য ও কাৰিকৰী বিভাগ আৰু স্বচ্ছ ভাৰত অভিযান- গ্ৰামীণৰ যুটীয়া সহযোগত আজি অনাময় কৰ্মী (চেনিটেচন কৰ্মী) সকলৰ এখন সজাগতা আৰু প্ৰশিক্ষণ অনুষ্ঠান অনুষ্ঠিত হয়। সভাত স্বচ্ছ ভাৰত অভিযানৰ কাৰিকৰী বিষয়া নয়নজ্যোতি বাইলুঙে অনাময় কৰ্মী সকলৰ লক্ষ্য, উদ্দেশ্য আৰু দায়িত্ব সম্পৰ্কে বিশদ বিৱৰণ দাঙি ধৰে। উল্লেখযোগ্য যে সাহসে হৰিশ আৰু বিনাশ্বাহ ফাউণ্ডেশ্যন আৰু সত্বাৰ যুটীয়া সহযোগত মাজুলীত "স্বচ্ছ মাজুলী মোৰ মাজুলী" প্ৰকল্পৰ অধীনত শুকান জাবৰ ব্যৱস্থাপনাৰ ওপৰত কাম কৰি আছে। এই উদ্দেশ্য আগত লৈ সাহসে মাজুলীৰ বিভিন্ন প্ৰান্তত গাৱে গাৱে সজাগতা সভা অনুষ্ঠিত কৰি আহিছে। মাজুলী উন্নয়ন খণ্ডত অনুষ্ঠিত হোৱা আজিৰ এই প্ৰশিক্ষণ অনুষ্ঠানত জনস্বাস্থ্য ও কাৰিকৰী বিভাগৰ পৰা দিবাকৰ বৰা, সাহসৰ হৈ বিভাষ বৰমেধী, মৃদুভূষণ কটকী, স্পৃহা গায়ন, অনামিকা, হেঙুল, আৰু কমলাবাৰী পঞ্চায়তৰ জীৱিকা সখী অনিতা দাস, বিভিন্ন আত্ম সহায়ক গোটৰ সদস্যা আৰু অনাময় কৰ্মীকে ধৰি মুঠ ৩০ জন লোকে অংশগ্ৰহণ কৰে।

# ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ বিৰুদ্ধে সৰৱ আপ




ৰঙিলী বাৰ্তাসেৱা- "অসমৰ চিকিৎসা মহাবিদ্যালয় সমূহৰ পৰা ৬৪ গৰাকী চিকিৎসকৰ পদত্যাগে ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ ব্যৱস্থাপনাহীনতা উদঙাই দিছে। ২০২১ চনৰ পৰা ২০২৩ চনৰ ভিতৰত ৰাজ্যখনৰ বিভিন্ন মেডিকেল কলেজৰ ৬৪ গৰাকী চিকিৎসকৰ পদত্যাগ স্বাস্থ্যখণ্ডৰ বাবে এক অশনি সংকেত স্বৰূপ।" গণেশগুৰিস্থিত আপ অসমৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত দলৰ ৱৰ্কিং কমিটীৰ আহ্বায়ক ডাঃ ভবেন চৌধুৰীয়ে এইদৰে স্বাস্থ্য বিভাগৰ ব্যৱস্থাপনাহীনতাৰ বিৰুদ্ধে সৰৱ হয়। তেওঁ কয়, "স্বাস্থ্য বিভাগৰ প্ৰকাশিত তথ্য অনুসৰিয়েই পাঁচ বছৰত মুঠ ১৭৪ গৰাকী চিকিৎসকে চাকৰি এৰিছে। বৰ্তমান খালী হৈ আছে ৭ শতাধিক চিকিৎসকৰ পদ। বৰ্তমানৰ মুখ্যমন্ত্ৰী গৰাকীয়ে পূৰ্বে স্বাস্থ্য মন্ত্ৰী হিচাপেও দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰিছিল। কিন্তু ৰাজ্যখনৰ চৰকাৰী হাস্পতাল অথবা মেডিকেল কলেজৰ চিকিৎসক সকলৰ কোনো সমস্যা তেওঁ সমাধান কৰিব পৰা নাই। এয়া তাৰেই প্ৰতিফলন।" আম আদমী পাৰ্টিয়ে স্বাস্থ্যখণ্ডৰ পৰিবৰ্তনৰ স্বাৰ্থত চিকিৎসক সকলৰ সমস্যা সমাধানৰ লগতে ৰাজ্যখনৰ বিভিন্ন চিকিৎসালয় তথা মেডিকেল কলেজ হাস্পতালৰ প্ৰয়োজনীয় নিযুক্তিৰ ব্যৱস্থা অবিলম্বে সম্পন্ন কৰিবলৈ চৰকাৰক দাবী জনায়। চৰকাৰী হাস্পতালত খালী পদত নিযুক্তিৰ লগতে আন্তঃগাঁথনি উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ডাঃ ভবেন চৌধুৰীয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনায়। সংবাদমেলত আপৰ আন এগৰাকী নেতা ৰমেন বৰঠাকুৰে ৰাজ্যৰ সুলভ মূল্যৰ দোকানী সকলৰ প্ৰাপ্য আদায়ৰ দাবীত কৰা আন্দোলনৰ বিষয়টো উত্থাপন কৰে। দীৰ্ঘদিনৰ পৰা অসম চৰকাৰৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনস্থ সুলভ মূল্যৰ দোকানী সকলে তেওঁলোকৰ পাবলগীয়া কমিছনৰ পৰা বঞ্চিত হৈ আছে। চৰকাৰে তেওঁলোকৰ প্ৰাপ্য শীঘ্ৰে আদায় দিবলৈ বৰঠাকুৰে আহ্বান জনায়।

# ভয়ংকৰ ৰে'ল দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিল গান্ধী ধাম এক্সপ্ৰেছ

ৰঙিলী বাৰ্তাসেৱা- এক ভয়ংকৰ ৰে'ল দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিল উজনিমুৱা গান্ধী ধাম এক্সপ্ৰেছ। গান্ধী ধাম এক্সপ্ৰেছত সংঘটিত হোৱা যান্ত্ৰিক বিজুতিৰ পৰিপ্ৰেক্ষিতত ৰে'লখনত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। জানিব পৰা মতে ৰে'লখনৰ ব্ৰেকৰ পৰা সূত্ৰপাত হোৱা এই জুই পৰৱৰ্তী সময়ত ডবালৈয়ো বিয়পি পৰে। অৱশ্যে সৌভাগ্যক্ৰমে এই ঘটনাত কোনো লোক হতাহতি হোৱাৰ খবৰ এই পৰ্যন্ত অহা নাই। বঙাইগাঁৱৰ সমীপৱৰ্তী মাজগাঁৱত সংঘটিত হোৱা এই ঘটনাৰ পাছতে ৰে'লখনত থকা কৰ্মচাৰীসকলে ততাতৈয়াকৈ জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়।

# ডিব্ৰুগড়ত চলন্ত ৰে'লৰ পৰা বিচ্ছিন্ন হ'ল ইঞ্জিন

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ পৰা হাওৰা অভিমুখী নামনিমুৱা কামৰূপ এক্সপ্ৰেছত মঙলবাৰে সংঘটিত হয় এক ভয়ংকৰ ঘটনা। কথমপি ৰক্ষা পৰে ৰে'লখনত থকা শতাধিক যাত্ৰী। বাণীপুৰ ৰে'ল ষ্টেচনৰ পৰা যাত্ৰা কৰা কামৰূপ এক্সপ্ৰেছ নামৰ ৰে'লগাড়ীখনৰ চাউলখোৱাত চলন্ত অৱস্থাতে ১৫৯৬০ নং ইঞ্জিনটো দবাসমূহৰ পৰা অতৰ্কিতে বিচ্ছিন্ন হৈ পৰে। দবা এৰি কেৱল ইঞ্জিন আগবাঢ়ি আহিল কামৰূপ এক্সপ্ৰেছৰ। উল্লেখ্য একেটা ট্ৰেকতে ৰাজধানী এক্সপ্ৰেছ যাব লগা আছিল। যান্ত্ৰিক বিজুতিৰ বাবে এই ঘটনা সংঘটিত হয় বুলি জানিব পৰা গৈছে যদিও ৰে'ল বিভাগৰ তৰফৰ পৰা কোনো কথা স্পষ্ট কৰা নাই। ঘটনাৰ পাচতে ৰে'ল বিভাগৰ এটা বিশেষ দল ঘটনাস্থলীত উপস্থিত হৈ পুনৰ ইঞ্জিন আৰু দবা সংযোগ কৰাৰ পিছত ৰে'লখনৰ চলাচল আৰম্ভ হয়।

# জম্মু-কাশ্মীৰৰ ডোডা জিলাত সন্ত্ৰাসবাদীৰ সৈতে সেনাৰ সংঘৰ্ষ



ৰঙিলী বাৰ্ত্তাসেৱা- জম্মু-কাশ্মীৰৰ ডোডা জিলাত সন্ত্ৰাসবাদীৰ সৈতে সেনাৰ সংঘৰ্ষ। সেনা-সন্ত্ৰাসবাদীৰ মাজত হোৱা সংঘৰ্ষত ৪গৰাকী সেনা জোৱান শ্বহীদ হৈছে। সোমবাৰে নিশা সন্ত্ৰাসবাদীৰে হোৱা সংঘৰ্ষত আহত হয় এজন সেনা বিষয়াৰ লগতে তিনিজন জোৱান। তেওঁলোকক ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰি হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও হাস্পতালত মৃত্যুক আঁকোৱালি লয় ৪গৰাকী সেনা জোৱানে। ভাৰতীয় সেনাৰ লগতে জম্মু-কাশ্মীৰ আৰক্ষীৰ স্পেচিয়েল অপাৰেচন গ্ৰুপে (এছঅ'জি) যৌথভাৱে সোমবাৰে সন্ধিয়া ডোডা জিলাৰ পৰা প্ৰায় ৫৫ কিলোমিটাৰ নিলগত থকা দেশা জংগল অঞ্চলত তালাচী অভিযান চলাইছিল। আৰক্ষীয়ে জনোৱা মতে, গোপন সূত্ৰৰ খবৰৰ ভিত্তিত চলোৱা হৈছিল এই অভিযান। সেই অঞ্চলত সন্ত্ৰাসবাদীৰ দল লুকাই থকাৰ খবৰ আছিল। সংবাদ মাধ্যমৰ খবৰ অনুসৰি, তালাচী অভিযানৰ সময়ত অতৰ্কিতে সেনা বাহিনীৰ দিশে ধাৰাসাৰ গুলীবৰ্ষণ কৰা হয়। প্ৰত্যুত্তৰ দিয়ে সেনা বাহিনীয়েও। দুয়োপক্ষৰ মাজত প্ৰচণ্ড গুলীচালনা হয়। ২০ মিনিটৰো অধিক সময় ধৰি চলে এই গুলীচালনাৰ ঘটনা। সেই সময়তে সন্ত্ৰাসবাদীৰ গুলীত এজন বিষয়াসহ তিনিজন জোৱানৰ আহত হয়। লগতে এজন আৰক্ষীৰ দেহতো গুলী লগা বুলি খবৰ প্ৰকাশ পাইছে। সেনাৰ 'হোৱাইট নাইট ক'ৰ' হিচাপে পৰিচিত ১৬ ক'ৰে ছচিয়েল মিডিয়া ছাইট এক্সত পোষ্ট কৰি জনাইছে, "অঞ্চলটোলৈ অতিৰিক্ত সেনা বাহিনী প্ৰেৰণ কৰা হৈছে। অভিযান অব্যাহত আছে।" লগতে লিখিছে, 'চোৱাংচোৱাৰ তথ্যৰ আধাৰত ভাৰতীয় সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে ডোডাৰ উত্তৰ অঞ্চলত এক যৌথ অভিযান চলাইছিল। নিশা প্ৰায় ৯ বজাত সন্ত্ৰাসবাদীৰে সংঘৰ্ষ হয়।" উল্লেখ যে, বিগত এমাহৰ ভিতৰত এইটো হৈছে তৃতীয়টো সেনা-সন্ত্ৰাসবাদীৰ মাজত হোৱা সংঘৰ্ষ। কিছুদিনৰ পূৰ্বে সন্ত্ৰাসবাদীয়ে সেনাৰ গাড়ী অতৰ্কিতে কৰিছিল গুলীবৰ্ষণ।

# এন ই ফ'কাচৰ উদ্যোগত স্বাস্থ্য আৰু সুস্থতা সন্মিলন অনুষ্ঠিত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য সুস্থতা বাবে জীৱনশৈলীৰ লগতে মানসিক স্বাস্থ্য উন্নত মানৰ হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ। বিশেষকৈ যোগ বা ব্যায়ামে শৰীৰৰ সন্তুলন বৰ্তাই ৰখা যথেষ্ট সহায় কৰে। এই মন্তব্য গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী প্ৰবক্তা ডক্তৰ উবেদুল ইছলামৰ। এন ই ফ'কাচৰ উদ্যোগত নেডফিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত স্বাস্থ্য আৰু সুস্থতা সন্মিলনত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। লগতে কয় যে দিনে দিনে বৃদ্ধি পোৱা জীৱন শৈলী জনিত ৰোগ নিয়ন্ত্ৰণৰ আহিলা হ'ল খাদ্যাভ্যাস নিয়ন্ত্ৰণ, নিয়মিত স্বাস্থ্য পৰীক্ষা আৰু মানসিক সন্তুলন বজাই ৰখা। আন এক আলোচনা চক্ৰত ডায়েট অথবা খাদ্যাভাস সম্পৰ্কে আলোচনা কৰে। এই আলোচনা চক্ৰ খনত অংশগ্ৰহণ কৰে ডক্তৰ চবিনা য়াচাৰে, ইন্দ্ৰানী দত্ত আৰু ড° গীতাৰ্থ ৰায় মেধিয়ে। আনহাতে সন্মিলনখনত গেষ্টলজি সম্পৰ্কে মন্তব্য ৰাখে গেষ্টচিটিৰ চবিৰ উদ্দিন আহমেদে। সন্মিলনত তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাষাতত্ব আৰু ভাষা প্ৰযুক্তি বিভাগৰ সহকাৰী অধ্যাপক ড° অৰূপ কুমাৰ নাথেও সাম্প্ৰতিক সময়ৰ স্বাস্থ্য সজাগতা সম্পৰ্কে বক্তব্য আগবঢ়ায়। সন্মিলনখনত খনৰ লগত সংগতি ৰাখি এখন প্ৰদৰ্শনী অনুষ্ঠিত হয়। স্বাস্থ্য আৰু সুস্থতা সন্মিলনখন সফলতা সম্পন্ন কৰাত সহযোগ কৰে অসম চৰকাৰৰ ফুড চেফিটি বিভাগ, এন এইচ এম, এইচ কন্তোল চচাইটি, আয়ুষ মিচন অসম আৰু জনসংযোগে। আয়োজক কমিটিৰ হৈ এন ই ফ'কাচৰ সম্পাদক সংগীতা শইকীয়া, আমাৰ অসমৰ জ্যেষ্ঠ সাংবাদিক মন্টু শইকীয়া, জ্যেষ্ঠ সাংবাদিক ৰূপম বৰুৱাইও অনুষ্ঠানত চমু বক্তব্য আগবঢ়ায় । প্ৰায় শতাধিক লোকে অংশগ্ৰহণ কৰা সন্মিলনখনত স্বাস্থ্য বিভাগৰ লগতে সংবাদ সেৱা বিভাগৰ বহুকেইজন উপস্থিত থাকে।

# মিজোৰামত নিচা জাতীয় সামগ্ৰী জব্দ

ৰঙিলী বাৰ্ত্তাসেৱা- বি এছ এফ, মিজোৰাম আৰক্ষী আৰু মিজোৰামৰ বিশেষ নাৰ্কোটিকছ বিভাগে অভিযান চলাই বুজন পৰিমাণৰ নিচা জাতীয় সামগ্ৰী জব্দ কৰে। বি এছ এফৰ এক সূত্ৰই সদৰী কৰা মতে, গোপন তথ্যৰ ভিত্তিত মিজোৰাম-কাছাৰ ফ্ৰন্টিয়াৰৰ আইজলত নিয়োজিত বি এছ এফৰ ৩৮ নম্বৰ বেটেলিয়ান, মিজো আৰক্ষী আৰু নাৰ্কোটিকছ বিভাগে আইজলৰ এডেনথৰত যুটীয়া অভিযান চলাই জব্দ কৰে নিচাজাতীয় সামগ্ৰীখিনি। অভিযানত ৭২০ বটল কডেইন কফ চিৰাপ জব্দ কৰা হয়। জব্দ কৰা কফ চিৰাপৰ মূল্য কেইবা লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে। ইফালে, অবৈধ কফ চিৰাপ সৰবৰাহৰ অভিযোগত এজন ভাৰতীয় লোকক গ্ৰেপ্তাৰ কৰা হৈছে। জব্দ কৰা সামগ্ৰী আৰু ধৃত সৰবৰাহকাৰী জনক পিচত স্থানীয় থানাত গতাই দিয়া হয়।

# প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে কে পি শৰ্মা অলিয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- চতুৰ্থবাৰৰ বাবে নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে কে পি শৰ্মা অলিয়ে। ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌড়েলে দেওবাৰে নেপালৰ কমিউনিষ্ট দলৰ নেতা কেপি শৰ্মা অলিক নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়ে। ৰাষ্ট্ৰপতি ভৱনৰ মূল ভৱন শীতল নিৱাসত ৰাষ্ট্ৰপতি পৌড়েলে প্ৰধানমন্ত্ৰী অলিক শপত বাক্য পাঠ কৰোৱায় । সাংবিধানিক আদেশ অনুসৰি নিযুক্তিৰ ৩০ দিনৰ ভিতৰত সংসদৰ পৰা আস্থা ভোট লাভ কৰিব লাগিব কে পি শৰ্মা অলিয়ে। ২৭৫খন আসন থকা নেপালৰ সদনত কে পি শৰ্মা অলিক প্যঁনতম ১৩৮টা ভোটৰ প্ৰয়োজন। উল্লেখ্য যে নেপালত সংবিধান জাৰি কৰাৰ পাছত এইবাৰ তৃতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰিছে কে পি শৰ্মা অলিয়ে। সংবিধান প্ৰকাশৰ পাছত ইতিমধ্যে অলিয়ে প্ৰথম কাৰ্যকালত দুবাৰ আৰু সংবিধান সভাৰ সময়ত এবাৰ প্ৰধানমন্ত্ৰী হিচাপে নিযুক্ত হৈছিল। শপত গ্ৰহণ অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি ৰাম সহয়া প্ৰসাদ যাদৱ, প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা নেপালী কংগ্ৰেছৰ সভাপতি শ্বেৰ বাহাদুৰ দেউবা, প্ৰাক্তন প্ৰধানমন্ত্ৰী পুষ্পা কমল দাহাল, প্ৰতিনিধি সদনৰ অধ্যক্ষ দেৱৰাজ ঘিমিৰেকে ধৰি অন্যান্য ব্যক্তিসকল উপস্থিত থাকে। নেপালৰ নৱ নিযুক্ত প্ৰধান মন্ত্ৰী কে পি শৰ্মা অলিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে শুভেচ্ছা জ্ঞাপন কৰে।

# চিমেন নদীত উদ্ধাৰ নিৰুদ্দিষ্ট ডিব্ৰুগড়ৰ অজিতেশৰ মৃতদেহ



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিদিনৰ অন্তত উদ্ধাৰ হ'ল চিমেন নদীত ১২ জুলাইত ফটো উঠিবলৈ আহি নদীৰ বুকুত সন্ধানহীন হোৱা ডিব্ৰুগড আৰ কে স্কুলৰ ছাত্ৰ অজিতেশ হাজৰিকাৰ মৃতদেহ। এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰ অভিযান চলাই থকা সময়তে ঘটনাস্থলীৰ পৰা প্ৰায় ওঠৰ কিলোমিটাৰ নিলগত চিমেন নদীত ওপঙি থকা অৱস্থাত স্থানীয় ৰাইজে মৃতদেহটো ওপঙি থকা প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। লগে লগে উদ্ধাৰ অভিযান চলাই থকা দুৰ্যোগ প্ৰশমন বাহিনীৰ জোৱানে অজিতেশ হাজৰিকাৰ মৃতদেহটো উদ্ধাৰ কৰে। পৰিয়ালৰ লোকৰ উপস্থিতিত আৰক্ষীয়ে অজিতেশৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ধেমাজি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ১২ জুলাইৰ বিয়লি চিমেন নদীৰ অৰুণাচল প্ৰদেশৰ অংশত ফটো উঠিবলৈ লওঁতে শিলৰ পৰা পিচলি পৰাত নদীৰ সোঁতে উটুৱাই লৈ গৈছিল অজিতেশক । তেতিয়াৰ পৰাই ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ বৃহৎ জোৱানৰ দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছিল। এই সন্দৰ্ভত এক গোচৰো পঞ্জীয়ন কৰা হৈছে। উল্লেখযোগ্য যে যুৱকজন ডিব্ৰুগড়ৰ জ্ঞান বিজ্ঞান কনিষ্ঠ মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰ আছিল।

# আত্মহত্যা, জা জেনেট আৰু অস্তিত্ববাদ



**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**

প্ৰখ্যাত ফৰাচী দাৰ্শনিক জাঁ পল ছাৰ্ত্ৰেই এটা চিন্তা গধূৰ কাহিনী বৰ্ণনা কৰিছিল। কাহিনীটো জা জেনেট নামৰ এটা অনাথ শিশুৰ। ছাৰ্ত্ৰেই কোৱা কাহিনী অনুসৰি জা জেনেট আছিল এটি জাৰজ সন্তান। তাক ৰখা হৈছিল এটা অনাথ আশ্ৰমত। তাতে চুৰি কৰোঁতে সি এদিন ধৰা পৰিল। এনেয়ে জাৰজ তাতে আকৌ চোৰ; সেই দিন ধৰি সমাজৰ দৃষ্টিত সি হৈ পৰিল এটা চোৰ। তাৰ চৰিত্ৰ সংশোধনৰ বাবে ৰখা হ'ল এটা সংশোধন গৃহত। এটা সময়ত সি তাৰ পৰা ওলাল। তাৰ চৰিত্ৰ সংশোধন হ'ল ঠিকেই, কিন্তু সমাজে তাক চোৰ বুলিয়েই গণ্য কৰি থাকিল। মানুহৰ এনে ব্যৱহাৰ দেখি দেখি তাৰ এনে লাগিল যে সি আচলতে ভাল মানুহ নহয়; চোৰহে। সংশোধন গৃহৰ পৰা সৎ চৰিত্ৰ এটা লৈ অহাৰ পিছতো সমাজে তাক এটা ভাল মানুহ বুলি স্বীকৃতিও নিদিলে, আদৰিও নল'লে। এজন ভাল মানুহ হ'ব খুজিছিল যদিও সমাজে তাক ভাল হ'ব নিদিলে। ভাল হোৱাৰ পিছতো যদি সমাজে বেয়া বুলিয়েই স্বীকৃতি দিয়ে, তেন্তে বেয়া হৈ থকাই শ্ৰেয়- এই ভাবে ক্ৰিয়া কৰাত সি চোৰ বৃত্তিটো পেছা হিচাপেই ল'লে। শৈশৱত সি অনাথ আশ্ৰমতহে চুৰি কৰিছিল, এইবাৰ সি সমগ্ৰ ইউৰোপখনকেই চৌৰ্যবৃত্তিৰ ক্ষেত্ৰ হিচাপে বাছনি কৰিলে। তাৰ পিছত সুদীৰ্ঘ ত্ৰিশ বছৰ ধৰি ইউৰোপৰ বিভিন্ন ঠাইত চুৰি কৰি ঘূৰি ফুৰিল। এইদৰে চুৰি কৰি ঘূৰি ফুৰোঁতে এদিন সি ধৰা পৰিল পেৰিছত। চুৰি কাণ্ডটো আছিল গুৰুতৰ; গতিকে তাৰ যাবজ্জীৱন কাৰাদণ্ড হ'ল।

বেয়া ল'ৰা এটা ভাল হ'বলৈ চেষ্টা কৰাৰ পিছতো কেৱল এখন সমাজে আৰোপ কৰা ভুল অভিধাৰ বাবে কিদৰে মানুহ এজন ধ্বংস হৈ যাব পাৰে জা জেনেট তাৰ প্ৰকৃষ্ট উদাহৰণ।

এই ঘটনাটোৱে আমাৰ সমাজত ঘটি থকা বহু ঘটনাকে প্ৰতিনিধিত্ব কৰি। বিশেষকৈ যোৰহাট জিলাৰ তিতাবৰৰ দীপাংকৰ গগৈ নামৰ চফল ডেকাজনে কৰা আত্মহত্যাৰ ঘটনাটো এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। প্ৰকাশিত বাতৰিৰ বিৱৰণি অনুসৰি যোৰহাটত সংঘটিত হৈছিল এটা গ্ৰেণেড বিস্ফোৰণৰ ঘটনা। এই ঘটনাৰ লগত জড়িত থকাৰ সন্দেহত দীপাংকৰ গগৈ নামৰ ল'ৰাজনক ধৰি আনি আৰক্ষীয়ে নিৰ্যাতন চলাইছিল। অবিৰাম হাৰাশাস্তি আৰু নিৰ্যাতনৰ সন্মুখীন হ'ল দীপাংকৰ। লাজে অপমানে জৰ্জড়িত দীপাংকৰে নিজৰ সকলো সপোন এৰি আত্মহত্যা কৰিলে। দেখা গ'ল যে আজি কিছুদিন আগতে 'নিয়া'ই দাখিল কৰা চাৰ্জশ্বীটত আলফাৰ নেতাকে ধৰি বিভিন্ন জনৰ নাম আছে, কিন্তু তাত দীপাংকৰ গগৈৰ নাম নাই।

তাৰমানে দীপাংকৰ অপৰাধী নাছিল, আছিল সম্পূৰ্ণ নিৰ্দোষী। কিন্তু তেওঁৰ ওপৰত সমাজে ভুল অভিধা এটা আৰোপ কৰিলে- বেয়া মানুহৰ অভিধা। দীপাংকৰক জোৰ যবৰদস্তি বেয়া মানুহ সজোৱা হ'ল, সজোৱা হ'ল অপৰাধী। যিজন ল'ৰাই পুলিচ হোৱাৰ দুৰ্বাৰ বাসনা পুহি ৰাখিছিল আৰু তাৰ সাধনাত নিজকে ব্যস্ত কৰি ৰাখিছিল, সেইজন ডেকা ল'ৰাক সেই পুলিচেই পুলিচ হোৱাৰ সুবিধা আৰু সুযোগ নিদিলে। বৰঞ্চ অপৰাধীহে সজালে। এনে দুৰ্ঘোৰ অন্যায় সহিব নোৱাৰি তেওঁ সকলো শেষ কৰি পেলালে আত্মহনন কৰি।

উপৰিউক্ত দুয়োটা ঘটনাৰ পৰা ইয়াকে দেখা গ'ল যে ভাল হ'বলৈ চেষ্টা কৰাৰ পিছতো বেয়া মানুহ জেনেটক ভাল হোৱাৰ সুবিধা দিয়া নহ'ল, বৰঞ্চ এটা কুখ্যাত চোৰ হ'বলৈ বাধ্য কৰোৱা হ'ল। আৰু প্ৰকৃতাৰ্থত ভাল মানুহ হোৱা সত্বেও দীপাংকৰ গগৈক অপৰাধী সজাই মৃত্যুৰ মুখলৈহে ঠেলি দিয়া হ'ল।

দীপাংকৰ গগৈৰ ঘটনাটো এটা প্ৰতীকহে। আমাৰ সমাজত এই ধৰণৰ কিমান ঘটনা ঘটি থাকে তাৰ হিচাপ নাই। বিশেষকৈ পৰীক্ষাৰ খবৰ দিয়াৰ সময়ত এনে ঘটনা সৰ্বাধিক সংঘটিত হয়। তদুপৰি প্ৰেমজনিত কাৰণত, বা কিছুমান তেনেই লঘু কাৰণতেই কিমান ডেকা-ডেকেৰীয়ে নিজৰ জীৱন শেষ কৰি দিছে তাৰ হিচাপ নাই। যাৰ বাবে আত্মহত্যা হৈ পৰিছে এটা ডাঙৰ সমস্যা।

সমাজত ঘটি থকা এই ধৰণৰ ঘটনাবোৰে 'অস্তিত্ববাদ দৰ্শন'ৰ কথা মনলৈ আনে। অস্তিত্ববাদে কৈছে- প্ৰতিজন ব্যক্তিয়েই একক মৌলিক সত্তা, প্ৰতিজনৰ ভাৱধাৰাই অদ্বিতীয় আৰু স্বতন্ত্ৰ। সেইবাবেই প্ৰতিটো ক্ষেত্ৰত এককভাৱে সিদ্ধান্ত লোৱাৰ অধিকাৰ তেওঁলোকৰ আছে। পৃথিৱীখনত মাথোঁ এটাই সত্য আছে, সেয়া হ'ল- মানুহৰ অস্তিত্ব আৰু তাৰ অন্তহীন কৰ্ম পৰিৱৰ্তন।

অস্তিত্ববাদৰ এগৰাকী অন্যতম বক্তা জাঁ পল ছাৰ্ত্ৰেই কৈছে যে, প্ৰতিজন ব্যক্তিৰে একোটা অৱস্থান থাকে। আমি নিজৰ অৱস্থানৰ পৰা অন্যক চাওঁ আৰু তাৰ ওপৰত এটা অভিধা আৰোপ কৰোঁ। তেনেকৈয়ে অন্য লোকেও নিজৰ অৱস্থানৰ পৰা আমাৰ অৱস্থানলৈ চাই একোটা অভিধা আৰোপ কৰে। যিদৰে নিজৰ নিজৰ অৱস্থানৰ পৰা সমাজে জা জেনেট, দীপাংকৰ গগৈ আৰু অন্য সহস্ৰজনৰ ওপৰত ভিন ভিন অৰ্থ আৰোপ কৰি নিষ্ঠুৰ নিয়তিৰ মুখলৈ ঠেলি দিছে।

ছাৰ্ত্ৰেই কৈছে এনে পৰিপ্ৰেক্ষিতত নিজে সৃষ্টি কৰা পথ বা ইচ্ছাৰ প্ৰতি সঁহাৰি নজনাই আনে আৰোপ কৰা বা জোৰ যবৰদস্তি জাপি দিয়া অৰ্থ বা পৰিচয় যদি আমি বহন কৰিবলৈ ৰাজি হওঁ, তেন্তে আমি আমাৰ অস্তিত্ব হেৰুৱাই পেলাম। যিদৰে নিজৰ অস্তিত্ব হেৰুৱাই পেলাইছে দীপাংকৰ গগৈৰ দৰে অগণন লোকে। ছাৰ্ত্ৰেই লগতে কৈছে যে, যিকোনো পৰিস্থিতিৰ পৰা বাহিৰ ওলাই অহাৰ স্বাধীনতা আমাৰ আছে। সমাজৰ অসংখ্য চকুৰে আমাৰ পিনে চাই থকাৰ পিছতো আমি নিজকে স্বাধীনভাৱে নিৰ্মাণ কৰিব পাৰোঁ।

কিন্তু নিজক স্বাধীনভাৱে নিৰ্মাণ কৰিম কেনেকৈ? আহক আকৌ উভতি যাওঁ জা জেনেটৰ কাষলৈ।

পেৰিছত গ্ৰেপ্তাৰ হৈ কিছু বছৰ কাৰাবাস খতাৰ পিছত ছাৰ্ত্ৰে আৰু তেওঁৰ সহযোগী কেইজনমানৰ সহযোগত জেনেটে মুক্তি পালে। এইবাৰ কাৰাগাৰৰ পৰা ওলাই আহি তেওঁ এটা মন বান্ধিলে-" সমাজে মোক কি বুলি কয়, কি বুলি নকয়, সমাজে মোৰ ওপৰত কি অৰ্থ আৰু অভিধা আৰোপ কৰে, সেইবোৰলৈ ভ্ৰূক্ষেপ কৰাৰ কোনো দৰকাৰ নাই। মই মোৰ মতে কাম কৰি যাম।" এইবুলি এটা স্থিৰ মন বান্ধি তেওঁ হাতত তুলি ল'লে কলম। প্ৰথম অৱস্থাত নিজৰ জীৱনৰ অভিজ্ঞতাক লৈ সৰু-সুৰা আলোচনীত লেখা-মেলা কৰিলে। লেখাবোৰে পাঠকৰ বিপুল সঁহাৰি লাভ কৰিলে। এই ধাৰা অব্যাহত ৰাখিয়েই পৰৱৰ্তী সময়ত জা জেনেট হৈ পৰিল ফৰাচী সাহিত্যৰ বিখ্যাত সাহিত্যিক।

জেনেটৰ জীৱনৰ এই উত্থান-পতনৰ ঘটনা-পৰিঘটনাৰ বিষয়ে ছাৰ্ত্ৰেই মন্তব্য কৰিছে- "সমাজে আৰোপ কৰা অভিধাকেই নিজৰ প্ৰকৃত ৰূপ বুলি জেনেটে ভুল কৰিছিল। সেইবাবেই এটা বিখ্যাত চোৰ হোৱাৰ অভিপ্ৰায়ে দিনৰ পিছত দিন ধৰি আগুৱাই গৈ আছিল। কিন্তু যেতিয়াই তেওঁ নিজৰ আচল সত্তা (লেখক) আৱিষ্কাৰ কৰিব পাৰিলে, তেতিয়াই তেওঁৰ চোৰৰ সত্তা ধ্বংসপ্ৰাপ্ত হ'ল আৰু নতুন সত্তাৰে নিজকে নতুন ৰূপত গঢ়িলে। লাভ কৰিলে এটা নতুন জীৱন, নতুন চিনাকি। এইদৰে যদি আমি সমাজে আৰোপ কৰা ভূমিকাৰে কাম কৰি যাওঁ, তেন্তে বহু সময়ত আমি নিজৰ প্ৰকৃত স্বাধীন সত্তা উন্মোচন কৰিব নোৱাৰিম।"

## শাওণৰ পথাৰত জিলিকে হাঁহি

**যমুনা দুলু বৈশ্য,গুৱালকুছি (বাথান)**



তুমি অহা বাটে
নাঙলৰ সীৰলুৰে সোণালী আশা
শাওণৰ মাদলৰ উন্মাদনাত
সপোনৰ পোখা মেলে।
পলসভৰা বোকা মাটিৰ পৰশত
প্ৰাপ্তিত নাচে এবুকু হাঁহিৰ
খিলখিলনিৰ উভতনি ৰ'দালি,
এজাক যেন সপোনৰ বৰষুণ হৈ নামে
সেউজ পথাৰ ভৰাই চৌপাশ ।
অ বাই ৰহদৈ আহিবিচোন এবাৰ চাবলৈ
মোৰ জুপুৰীৰে পাৰ হৈ যোৱা
শাওণৰ পথাৰ খন চাবলৈ,
পিতাইৰ শালৰ মুঠি এৰিবৰ
বহু দিনে হ'ল তাত নুশুনো
খিতিক্ খিতিক্ শব্দ,
খেতি কৰিলেও বান্দৰেহে খায়
ভুই ৰুৱা ধাননি বোৰ চাবলৈ
বোকা পানী গচকি ঠন ধৰা
শাৰী শাৰী ধাননিৰ অনাবিল মৰম ।

# এগৰাকী নাৰী কোন বিলাক কথাত সুখ আৰু দুখ অনুভৱ কৰে

অনামিকা(সংগীতা) কলিতা,
শুৱালকুছি

নাৰী ঘৰৰ মূল ভেঁটি যাৰ অবিহনে ধৰাখন অসম্পূৰ্ণ। বৰ্তমান যি হাৰত কন্যা শিশুৰ পৰা যুৱতী, মহিলাক হত্যা ধৰ্ষণ ঘটনা চলি আছে, এনে লাগে নাৰীৰ যেন অস্তিত্ব নাই। যি দেশত নাৰীক পূজিত হয় সেই দেশতে উৎপীড়ন বেছি। তথাপিও নাৰী সকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি আছে কৰি থাকিব অনাদি কাললৈকে।

ধৰ্মীয় গ্ৰন্থ ইত্যাদিত পাইছোঁ নাৰী পৰাই যদি সৃষ্টি হয় নাৰীৰ পৰা ধ্বংসও হয়। উদাহৰণস্বৰূপে-ৰাম-ৰাৱণৰ যুদ্ধ হৈছিল নাৰীৰ কাৰণে। কৌৰৱসকলৰ নাশ হৈছিল নাৰীৰ কাৰণে। অমৃতৰ পৰা অসুৰ সকল বঞ্চিত হৈছিল নাৰীৰ কাৰণে ।নাৰীৰ নটা ৰূপ আছে সৃষ্টি কৰিবও পাৰে আৰু ধ্বংস কৰিবও পাৰে। নাৰী সহনশীলতা আৰু ধৈৰ্য্য সাহসৰ প্ৰতীক।

নাৰী সকলে নিজৰ ঘৰখনৰ লগতে বাহিৰা দায়িত্ব সুকলমে বৰ্তাই ৰাখিছে। তাৰ বিনিময়ত বিশেষ একো বিশেষ নিবিচাৰে মাত্ৰ পুৰুষৰ পৰা অকণমান স্নেহ আৰু সন্মান পালেই সুখী হ'ব পাৰে। এসোপা মাছ - মাংস খাই অট্টালিকাক থাকিও সুখী নহ'ব পাৰে যদি পুৰুষজনৰ চৰিত্ৰ ভাল নহয়। নিৰামিষ ভাত এসাজ খাইও সু-চৰিত্ৰ মৰমিয়াল জীৱন সংগী পুৰুষজনৰ সৈতে সুখী হ'ব পাৰে। কাৰণ তাত মৰম বুজাবুজি সন্মান খিনিতে স্বৰ্গীয় অনুভূতি অনুভৱ কৰিব পাৰে।

কিন্তু আন এটা কথা নিলিখিলে লেখা অসম্পূৰ্ণ হ'ব। এমুঠি নাৰীৰ কাৰণেও আমাৰ গোটেই নাৰী সমাজৰ বদনাম হয়। নিজৰ জন্ম দিয়া সন্তানটো ডাচবিনত পেলাই থৈ যোৱা মা শব্দৰ কলুষিত কৰা এচাম নাৰী। যাৰ কাৰণে নাৰীসকল যুগে যুগে অৱহেলিত হয়।



পুৰুষৰ জীৱনৰ ছাঁ দিয়ে নাৰীয়ে। দুখন ঘৰৰ সম্পৰ্ক ৰক্ষা কৰে নাৰীয়ে। এষাৰ কথা শুনিবলৈ পাওঁ যাৰ নাই তিৰি তাৰ নাই গিৰি। গতিকে নাৰীয়ে যিহেতু এখন ঘৰৰ মূল আধাৰ চালিকা শক্তি সেই শক্তিক অকণমান মৰম আৰু বিশ্বাস সন্মান পালেই সুখী অনুভৱ কৰে সেয়া তেওঁৰ অধিকাৰ পোৱাৰ যোগ্য। সেই খিনি দিয়াটো পুৰুষৰ কৰ্তব্য। সেইখিনিতে সকলো নাৰী সুখী হ'ব পাৰে।

## পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ জন্মদিন উপলক্ষে...

জ্যোতি খাটনিয়াৰ

# পাৰ্থিৱ খ্যাতি কেৱল বতাহৰ নিশ্বাস



প্ৰতিকুল পৰিস্থিতিৰ মাজতো জ্ঞান- চৰ্চা অব্যাহত ৰখাৰ প্ৰয়োজনীয়তাৰ যি বাট মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱে খুলি দিছিল, সেই বাটৰ অন্তিম আৰু সবাতোকৈ সাৰ্থক প্ৰতিনিধি হ'ল পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ। কলিকতা, অক্সফোৰ্ড, বাৰ্লিন, পেৰিছৰ পৰা জ্ঞানৰ মুকুতা বুটলি পদ্ধতিগত অধ্যয়নৰে ভাৰতীয় সংস্কৃতি আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন দিশ অতি বহল অৰ্থত পণ্ডিতপ্ৰবৰজনাই পুনৰ নিৰ্মাণ কৰি উলিয়াইছিল। নিৰাসক্ত জ্ঞান সাধনাত ব্ৰতী কৃষ্ণকান্ত সন্দিকৈৰ জন্মভূমিৰ প্ৰতি আকৰ্ষণ আছিল অতি আৱেগিক আৰু দৃঢ় নৈতিকতাৰ বান্ধোনেৰে বন্ধা। ১৯২০ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ত সংস্কৃতৰ পি এইচ ডি ডিগ্ৰীৰ বাবে যোৱা সন্দিকৈৰ প্ৰথম পছন্দৰ বিষয়টো আছিল ব্ৰাহ্মণ যুগৰ বৈদিক সমাজ। পৰৱৰ্তী সময়ত অক্সফোৰ্ডৰ প্ৰখ্যাত বিদ্বান, প্ৰফেছাৰ আৰ্থাৰ এন্থনী মেকডনেল (১৮৫৪-১৯৩০)ৰ সৈতে আলোচনা কৰি হলেণ্ডৰ আন এগৰাকী সংস্কৃত বিশেষজ্ঞ ড° কালাণ্ডৰ পৰামৰ্শ লৈ তেওঁ বিষয়বস্তুৰ কিছু পৰিৱৰ্তন কৰিলে। এই ক্ষেত্ৰত গৱেষক সন্দিকৈক কোৱা হ'ল যে তেওঁৰ গৱেষণাৰ বাবে প্ৰয়োজনীয় গ্ৰন্থসমূহ দুষ্প্ৰাপ্য হোৱা হেতুকে সেইবোৰৰ নকল প্ৰস্তুত কৰি অক্সফোৰ্ডলৈ লৈ আহিব লাগিব। সন্দিকৈৰ নিজৰ ভাষাত ঃ "ভাৰতৰ পৰা পুথি আনি বিলাতত গৱেষণা কৰা কথাটো মোৰ ভাল নালাগে।" স্বাভাৱিকতে সন্দিকৈৰ মনত এনে ভাৱ হোৱাত তেওঁৰ গৱেষণা গুৰু অধ্যাপক মেকডনেলক স্পষ্টকৈ নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিলে। সন্দিকৈৰ কথা শুনি অধ্যাপক মেকডনেলে কিছু বিৰক্ত হৈ কৈ উঠিল যে বৈদিক গৱেষণা আৰু আধুনিক বুৰঞ্জী এটা অদ্ভুত সংমিশ্ৰণ হ'ব। অধ্যাপক মেকডনেলৰ মনত কিন্তু সন্দিকৈৰ পাণ্ডিত্য, নিষ্ঠা আৰু জ্ঞানৰ প্ৰতি তেওঁৰ প্ৰবল হেঁপাহৰ সম্পৰ্কে হয়তো কোনো সন্দেহ নাছিল। এইবাবেই অক্সফোৰ্ডৰ এই প্ৰবীণ অধ্যাপকজনাই তৰুণ সন্দিকৈক উৎসাহ দিবলৈ কৈ উঠিল যে সন্দিকৈয়ে অ'ফোৰ্ডত আধুনিক বুৰঞ্জী অধ্যয়ন কৰিলে, তাৰ কাৰণেও তেওঁ বহুত পঢ়িব লাগিব আৰু তেতিয়া তেওঁৰ জ্ঞানৰ পৰিধি বৃদ্ধি পাব। স্বাভাৱিকতে এই কথা শুনি সন্দিকৈ যথেষ্ট উৎসাহী হ'ল । লক্ষণীয় যে জ্ঞানৰ পৰিধি বৃদ্ধিৰ কথাটো সন্দিকৈৰ জীৱন পৰিক্ৰমাৰ প্ৰধান চালিকা শক্তি।

১৮৯৮ চনৰ ২০ জুলাইত যোৰহাটত জন্ম গ্ৰহণ কৰা সন্দিকৈয়ে বয়স কম হোৱা বাবে সেইসময়ৰ কলিকতা বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰি তেওঁ ১৬ বছৰ নোহোৱা হেতু মেট্ৰিকুলেচন পৰীক্ষা দিব পৰা নাছিল। ফলত তেওঁ দশম শ্ৰেণী দুবাৰ পঢ়িবলগীয়া হৈছিল। সাধাৰণতে অন্য ছাত্ৰ - ছাত্ৰী হোৱা হ'লে হয়তো এই সময়ত হতাশাত ভুগিলহেঁতেন বা ধিতিঙালি কৰি সময় কটালেহেঁতেন । কিন্তু সন্দিকৈয়ে সেই দুবছৰৰ ভিতৰতে সংস্কৃত সাহিত্য বহলাই অধ্যয়ন কৰে। এই বহলাই কৰা অধ্যয়নৰ ভিতৰত কালিদাসৰ মেঘদূত, ৰঘুবংশ, কুমাৰ সম্ভৱ আৰু বিভিন্ন ব্যাকৰণৰ পুথি আছিল। ছাত্ৰৱস্থাৰ আৰম্ভণিতে সন্দিকৈ সংস্কৃতত নিজৰ ভাষাতে "অতি দুৰ্বল" আছিল আৰু এই ক্ষেত্ৰত ছাত্ৰ সন্দিকৈক বিশেষভাৱে সহায় কৰিছিল তেওঁৰ শিক্ষক যতীন্দ্ৰনাথ আচাৰ্যই। ১৯১৩ চনত সন্দিকৈয়ে সুখ্যাতিৰে মেট্ৰিক পাছ কৰি কটন কলেজত নাম ভৰ্তি কৰিলে। ১৯১৩ চনটো সন্দিকৈ ডাঙৰীয়াই বৰ ভাল পাই বুলি কৈ গৈছে। কাৰণ সেই বছৰত ড° বাণীকান্ত কাকতিয়ে কটন কলেজৰ পৰা আই এ পৰীক্ষা দি কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছিল। এনে স্থান লাভ কৰা তেওঁৱেই আছিল প্ৰথম অসমীয়া ছাত্ৰ। এই চনতে আকৌ ড° সূৰ্যকুমাৰ ভূঞাই ইংৰাজীৰ এম এ শ্ৰেণীত নাম লগাইছিল। ড° ভূঞাই সন্দিকৈক বিদেশী ভাষা শিকিবলৈ তেওঁৰ মনত আগ্ৰহৰ সৃষ্টি কৰিছিল। কলিকতাৰ সংস্কৃত কলেজৰ পৰা সন্দিকৈয়ে ১৯১৭ চনত বি এ পাছ কৰে আৰু ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম এ ডিগ্ৰী লাভ কৰে। এই সময়তে তেওঁ ফ্ৰেঞ্চ, পালি, লেটিন আৰু গ্ৰীক ভাষা পঢ়িবলৈ আৰম্ভ কৰে। উল্লেখ্য যে ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত বিষয়ৰ পাঠ্যক্ৰম সলনি হৈছিল আৰু ইয়াৰ দ্বাৰা সন্দিকৈ প্ৰভূত পৰিমাণে উপকৃত হৈছিল। কলিকতা বিশ্ববিদ্যালয়ৰ মহাৰাষ্ট্ৰীয় সংস্কৃত পণ্ডিত মহামহোপধ্যায় সীতাৰাম শাস্ত্ৰীয়ে তৰুণ সন্দিকৈক বিশেষভাৱে চেনেহ কৰিছিল। প্ৰায় দুবছৰ ধৰি নিতৌ পুৱা দুঘণ্টা পণ্ডিত শাস্ত্ৰীৰ সাধাৰণ এটা কোঠালীৰ ঘৰটোত সন্দিকৈয়ে তেওঁৰ পৰা দুষ্প্ৰাপ্য গ্ৰন্থৰ ব্যক্তিগত পাঠ গ্ৰহণ কৰিছিল। সন্দিকৈৰ নিজৰ ভাষাত সেই কোঠাটোত কোনো চকী মেজ নাছিল। গুৰু শাস্ত্ৰী এখন কঠৰ ওপৰত বহিছিল। আৰু শিষ্য সন্দিকৈয়ে তেওঁৰ ওচৰতেই আন এখন কঠত বহি গুৰুজনাই সৰল সংস্কৃতত কৰি যোৱা ব্যাখ্যা মনোযোগেৰে শুনি থাকিছিল। ই সন্দিকৈৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰিছিল আৰু ইউৰোপৰ পৰা ঘূৰি আহি একাণপতীয়াকৈ সংস্কৃত গ্ৰন্থৰ ব্যাখ্যা, টীকা, টিপন্নী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তেওঁক বিশেষভাৱে সহায় কৰিছিল। আনকি অক্সফোৰ্ডৰ অধ্যাপক মেকডনেলৰ সৈতে যজুৰ্বেদ আদি আলোচনা কৰি থকাৰ সময়ত পণ্ডিত সীতাৰাম শাস্ত্ৰীৰ ওচৰত শিকি অহা কথাবোৰলৈ তেওঁৰ বাৰে বাৰে মনত পৰি আছিল। একেদৰে সন্দিকৈয়ে আন এগৰাকী পণ্ডিত লক্ষ্মণ শাস্ত্ৰীৰ ভাৰতীয় দৰ্শনৰ ব্যাখ্যাৰ পৰাও বহু কথা কলেজীয়া জীৱনতে শিকিছিল। উল্লেখ্য যে অক্সফোৰ্ড বিশ্ববিদ্যালয়লৈ গৱেষণাৰ বাবে যোৱাৰ আগেয়ে বিখ্যাত বুৰঞ্জীবিদ অধ্যাপক যদুনাথ চৰকাৰ আৰু আচাৰ্য ব্ৰজেন্দ্ৰনাথ শীলৰ পৰা সন্দিকৈয়ে বিভিন্ন পৰামৰ্শ গ্ৰহণ কৰিছিল। ১৯২০ চনৰ ২০ জানুৱাৰী তাৰিখে সন্দিকৈ কলিকতাৰ পৰা বিলাতলৈ যাবলৈ

( নপৃষ্ঠাত চাওক)

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ

सर्वतीर्थमयी माता सर्वदेवमयः पिता।
मातरं पितरं तस्मात् सर्वयत्नेन पूजयेत्॥

"আমাৰ জীৱনত মাতৃ-পিতৃৰ আশীৰ্বাদ অপৰিহাৰ্য। মাতৃ-পিতৃৰ কল্যাণ নিশ্চিত কৰাটো এগৰাকী আদৰ্শ নাগৰিক হিচাপে আমাৰ দায়িত্ব"

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম



# মাতৃ-পিতৃ বন্দনা

মাতৃ-পিতৃ/শাহু-শহুৰৰ সৈতে স্মৰণীয় সময় অতিবাহিত কৰাৰ অৰ্থে ৰাজ্যিক কৰ্মচাৰীৰ বাবে বিশেষ নৈমিত্তিক ছুটী

**৬ আৰু ৮ নৱেম্বৰ ২০২৪**

লগতে
৭ নৱেম্বৰ (ষট্ পূজা)/ ৯ নৱেম্বৰ (দ্বিতীয় শনিবাৰ)
১০ নৱেম্বৰ (দেওবাৰ)ৰ বন্ধ

**JANASANYOG- 645/24/21-July-24**

## ছুটীৰ উদ্দেশ্য

মাতৃ-পিতৃ/শাহু-শহুৰক সম্পূৰ্ণ সান্নিধ্যৰে সাহচৰ্য, পৰিচৰ্যা, শ্ৰদ্ধা-সন্মান প্ৰদৰ্শন কৰা

- অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীসকলে পৰ্যায়ক্ৰমে এই বিশেষ ছুটীৰ সুবিধা লাভ কৰিব
- মাতৃ-পিতৃ/শাহু-শহুৰৰ অবৰ্তমানত এই সুবিধা প্ৰযোজ্য নহয়
- বিষয়া-কৰ্মচাৰীসকলে মাতৃ-পিতৃ/শাহু-শহুৰৰ সৈতে সময় অতিবাহিত কৰাৰ পৰিবৰ্তে ব্যক্তিগত অৱসৰ-বিনোদন বা আন কোনো কামত এই ছুটীৰ সুবিধা গ্ৰহণ কৰা অনুচিত

ছুটীৰ বাবে আবেদন কৰাৰ লগতে এই সন্দৰ্ভত সবিশেষ জানিবলৈ চাওক
matripitrivandana.assam.gov.in

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam dipr.assam.gov.in

# আমাৰ দেহত থকা সন্ধি বা গাঁঠিবোৰ

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

আমাৰ শৰীৰটো গাঁঠিৰ সমষ্টি। এই গাঁঠি বোৰ নথকা হ'লে আমি আমাৰ শৰীৰৰ অংগ সমূহ লৰচৰ কৰিব নোৱাৰিলোঁ হেঁতেন। সন্ধি বা গাঁঠি আৰু হাড় নথকা শৰীৰ এটা কল্পনা কৰিব পাৰিবানে ? কোমল এটুকুৰা মাংস পিণ্ডৰ দৰে পৰি থাকিব লাগিল হেঁতেন নহয়নে বাৰু!



হাড় বা অস্থি আৰু উপাস্থি একেলগ হৈ আমাৰ দেহৰ জঁকাটো গঠন হৈছে। আমাৰ শৰীৰত থকা মুঠ হাড়ৰ সংখ্যা কিমান হ'ব পাৰে বাৰু? ২০৬ ডাল হাড় বুলি বহুতেই জানো নহয়নে! কিন্তু জন্মৰ সময়ত অৰ্থাৎ কেঁচুৱা কালত মানৱ শৰীৰত ৩০০ ডাল হাড় থাকে। সেয়ে কেঁচুৱা এটা যদি কেনেবাকৈ পৰে আমাৰ আইতা সকলে কি কয় জানানে? একো নহয় দুখ নাপায় কেঁচুৱাৰ গাত ভগৱান থাকে। অৰ্থাৎ ভগৱান মানে সৰহ সংখ্যক টুকুৰা টুকুৰ হাড়েৰে গঠিত অক'মানি শৰীৰ টো অতি কোমল। সেয়ে পৰিলে আঘাত নাপায়। বয়স বঢ়াৰ লগে লগে অৰ্থাৎ পূৰ্ণবয়স্ক হোৱাৰ পৰ্যায়লৈকে কিছুমান হাড় লগ ২০৬ ডাল হয়। এই হাড় বোৰ এডাল আন এডালৰ লগত লগ হৈ থাকে। এই লগ লগোৱা কামটো গাঁঠি য়ে কৰে। গাঁঠি এটাই হাড়সমূহক, ইদালে সিদালৰ গাত নলগাকৈ সহজে লৰ- চৰ কৰাত সহায় কৰে। য'তেই দুডাল হাড়, ইদালে সিদালৰ ওচৰ চাপিছে, তাতেই একোটা গাঁঠিৰ সৃষ্টি হৈছে। হাড়ৰ মূৰবোৰত কোমলাস্থিৰ একোটা আৱৰণ থাকে। কোমলাস্থি মানে কোমল হাড়। যেনেকৈ আমাৰ নাকৰ আগ অংশ, কাণ দুখন কোমলাস্থি ৰে গঠিত। আকৌ দুডাল হাড়ৰ মাজৰ গাঁঠিত কণীৰ বীজলৰ (বগা অংশ) দৰে এবিধ পদাৰ্থ অনবৰতে টোপাটোপে পৰি থাকে। এই ৰসে হাড় দুডালৰ মাজৰ অংশ পিছল কৰি ৰাখে।

আমাৰ শৰীৰত চাৰিবিধ গাঁঠি বা সন্ধি আছে। যেনে বল আৰু চকেট সন্ধি, কেন্দ্ৰীয় সন্ধি, কব্জা সন্ধি, অচল সন্ধি। আমাৰ শৰীৰৰ গাঁঠি বোৰৰ ভিতৰত কান্ধৰ গাঁঠি সমূহেই আটাইতকৈ বেছি লৰ চৰ কৰিব লগা হয় । এই সন্ধি হৈছে বল আৰু চকেট সন্ধি। আমাৰ মূৰৰ লাওখোলাৰ তলত থকা সন্ধি হৈছে কেন্দ্ৰীয় সন্ধি। আঁঠু, আঙুলিৰ মাজৰ গাঁঠি কিলাকুটিৰ গাঁঠি এফালেহে বেকা কৰিব পাৰি। এনে সন্ধিক কব্জা সন্ধি বুলি কোৱা হয়। কিছুমান সন্ধি লৰ-চৰ নহয়। গালৰ ওপৰৰ হনু লৰ-চৰ নহয়। এনে সন্ধিক অচল সন্ধি বোলা হয়। মুঠৰ ওপৰত চাইকেল খন চফাকৈ ৰাখি তেল দি থলে যেনেকৈ চলাবলৈ কোমল হয়, একেদৰেই সুসম আহাৰ খাই শৰীৰৰ গাঁঠি বোৰ সুস্থ কৰি ৰাখিলে আমি সু-স্বাস্থ্যৰ গৰাকী হ'ব পাৰিম।

## অণুগল্প

### জোনাক

**অৰ্জিফা বেগম,গোলাঘাট**




প্ৰীতিয়ে পুৱাই উঠি ঘৰ, চোতাল ঝাড়ু দি ককাকৰ কাপোৰ দুখন ধুই নিজেও গা ধুই আহি গোসাঁই ঘৰত সোমাল। বহু সময় চাহৰ অপেক্ষা কৰি কৰি ককাকে তাইক বিচাৰি গৈ দেখিলে " কান্দি কান্দি তাই ভগৱানক কৈ আছে ঃ মোক মাৰি নিয়া প্ৰভু, লগৰীয়া বোৰে পঢ়ি আছে। মোক বৰমাই দিনটো কাম কৰিবলৈ দিয়ে। সিহঁতৰ দৰে ময়ো জোনাক বিচাৰো। মাইয়েও মোক এৰি গুচি গ'ল.... !"

### বৃদ্ধা আশ্ৰম

**এম এন দত্ত**

অখিলে ভনীয়েকক সুধিলে-" ৰূপা তই ক'চোন এই যে বৃদ্ধা আশ্ৰমবোৰ তাৰ ওপৰত তোৰ ধাৰণা কি"? ৰূপায়ে অখিলৰ মুখলৈ চাই ক'লে-"কি কম, বৃদ্ধা আশ্ৰমবোৰ নথকা হ'লে কিমান বোৰ মাক দেউতাকে যে যন্ত্ৰণা কাতৰ মুহূৰ্তক পাৰ কৰাই মৃত্যুক সাৱটি ল'ব লগা হ'লহেঁতেন। কিমান দিন কিমান ৰাতি ভুকে লঘোনে পাৰ কৰাব লগা হ'লহেঁতেন।"
ভনীয়েৰ কথা শুনি অখিলে ভনীয়কৰ মুখলৈ অলপ সময় থৰ লাগি চাই থাকিল। তাৰপিছত এখোজ দুখোজকৈ ৰুমলৈ আহি অখিলে তাৰ ডায়েৰীত লিখিলে-" অত্যাচাৰী পুতেক বোৱাৰীয়েকৰ ঘৰখনৰ তুলনাত বৃদ্ধা আশ্ৰম এখন স্বৰ্গভূমি"।



### মানসিক যান্ত্ৰণা

**দুলেশ্বৰ বেজবৰুৱা,ডিমৌ ৰাইচাই, শিৱসাগৰ**



ভগৱান বিতুষ্টি হোৱাৰ কাৰণেই হয়তো নয়নতৰাই শাহুৱেক বিদিশাক ভাড়াঘৰৰ পৰা অকথ্য গালি পাৰি ওলাই যাবলৈ নিৰ্দেশ দিয়া কথাটোৱে শিৰাই শিৰাই কম্পমান হ'ল। সামান্য পাৰিবাৰিক কথাতে ক্ষুন্ন হৈ তেনে এটা স্থিৰ সিদ্ধান্ত ল'লে তাই কল্পনাই কৰিব নোৱাৰিলে। কেতিয়াবা নিকৃষ্ট মানসিকতাই এখন সুখৰ সংসাৰ ধ্বংসৰ গঢ়ালৈ ঠেলি দিব পাৰে। এই কথা বিদিশাই গভীৰভাৱে উপলব্ধি কৰিলে। হাজাৰ হ'লেও কিতাপৰ জ্ঞানেই যথেষ্ট নহয়। এই ক্ষেত্ৰত নৈতিকতা আৰু চাৰিত্ৰিক বৈশিষ্ট্য পূৰ্ণতাপ্ৰাপ্ত নহ'লে অৰ্থাৎ সংস্কাৰী মনৰ অভাৱ হ'লে মানুহৰ মনত আকস্মিক ভাৱৰ সৃষ্টি হয়। তেনে মনোভাৱ থাকিলে হয়তো ভগৱান বিতুষ্টি হৈ হৃদয়ৰ পৰা আঁতৰি যায়? এতিয়া বিদিশাই মানসিক যান্ত্ৰণাত ভোগী চাটিফুটি মৰিছে। সেয়েহে বিদিশাই ভাড়াঘৰৰ পৰা ওলাই পুৰণি ঘৰখনলৈ ৰাওনা হৈছে।

### সন্তুষ্টি

**বিভা মহন্ত,নগাঁও**

মুনমী পেহী, - তুমি দেখোন মোৰ নতুন মা হব পাৰা। কনমানি জুন জুনৰ কথাষাৰ শুনি মুনমীয়ে সন্তুষ্টি পালে। মুনমীয়ে ৰূপকৰ জীয়েক জুনজুনৰ সহাৰি আৰু মনৰ কথাটো ৰূপকৰ আগত লগে লগে ক'লেগৈ। দুয়োয়ে স্বস্তিৰ নিশ্বাস পেলালে।



### নিৰুত্তৰ

**ধীৰেন্দ্ৰ কুমাৰ নাথ,আগিয়া**

"মা, মামাহঁতৰ ঘৰৰপৰা এতিয়াও আহি নাপায় নে দেউতা? বানপানী চোতাল পালেহি; ঘৰতো সোমাই নেকি মা?"
" আহি পাবহি।"--যোৱাটো বানত মোমায়েকৰ ঘৰৰপৰা আহোতে সি উটি গ'ল গৈ। কেনেকৈ কয় কণমানি ল'ৰাটোক!

### গুৰুত্ব

**বিনীতা বৰদলৈ**

"চাৰ, কিবা এটা খাবলৈ দিয়ক। আজি দুই তিনিদিন একোৱেই খোৱা নাই।" কণমানি ল'ৰা দুটাৰ কথাত বৰুৱা বৰুৱানী অলপো গুৰুত্ব নিদি তেওঁলোকৰ নিজ সন্তানৰ জন্ম দিনৰ বজাৰ কৰাত ব্যস্ত হ'ল।



# বেছি চতুৰালি কৰা জনে সদায় ঠগন খায়



**শৈলেন কুমাৰ,মির্জা, কামৰূপ**

মানুহ চতুৰ হ'ব লাগে কিন্তু চতুৰালিৰ এটা সীমা থাকে। এজনৰ চতুৰালিৰ বাবে যদি আনৰ বিপদ হয় বা আনৰ ক্ষতি কৰাৰ উদ্দেশ্যি চতুৰালি কৰা যায় তেন্তে সেয়া অক্ষমণীয় । বুৰঞ্জী, ইতিহাসত পাত লুটিয়াই চালে বিভিন্নজনৰ চতুৰালিৰ আৰত থকা অসৎ কুকাৰ্যৰ পৰিণাম কি হয় বহুত উদাহৰণ পোৱা যায়। আজিকালিৰ অধিকাংশ লোকৰ চিন্তা ৰাতিপুৱা ওলাই আহি ৰাতি ঘৰ সোমোৱা পৰ্যন্ত কেনেকৈ আনক ঠগি নিজৰ পেটতো আৰু ঘৰখন পুহিব পাৰি । কিন্তু সেইসকলে উপলব্ধি কৰিব নোৱাৰে যে আনৰ বস্তু কেতিয়াও নিজৰ হ'ব নোৱাৰে ।আনৰ বস্তুৰ ওপৰত চকু দিয়া অথবা নিজৰ অধিকাৰত লবলৈ বিচৰা মানসিকতা মানে নিজৰ গলত সৰ্প মেৰিয়াই লোৱা নতুবা বিহপান কৰা একেটাই কথা । নিজস্ব কষ্টৰে অৰ্জন কৰা খিনিহে নিজৰ আৰু ওপৰতে পোৱা বোৰ কেতিয়াও নিজস্ব নহয় ।কেতিয়াবা আপোনাৰ অনুভৱ হয়নে কপালৰ ঘাম মাটিত পেলাই অৰ্জন কৰা খিনিৰ মুল্য কিমান আৰু অনৰ্থক বিনা কষ্টৰে পোৱা খিনিৰ মুল্য কিমান? কিন্তু আজিকালিৰ মানুহৰ ভয়ভাব নোহোৱা হ'ল পাপপুণ্যৰ কথা কোৱা মানে হাস্যব্যংগৰহে প্ৰসংগ। আগতে মানুহৰ অন্তৰত দয়ামমতা, ভগৱানৰ ওপৰত আস্থা লগতে মনত ভক্তিভাব আছিল যাৰবাবে আনক ক্ষতি কৰি নিজৰ পেট আৰু ঘৰ ভৰোৱাৰ চিন্তা মনত উদ্ভৱ নহৈছিল। আজিকালি মানুহৰ দেহমন, বিবেক নিজৰ নিয়ন্ত্ৰণত নাই, আনে নচুৱাই আছে আৰু আমি নাচি আছো । আজিকালি আমাক বিলাসিতাৰ সপোন দেখুওৱা হয়। আমাৰ শৰীৰত শক্তি আছেনে নাই সেয়া গুৰুত্বপূৰ্ণ নহয় কিন্তু বিলাসিতাৰ দৌৰত আমি দৌৰিব লাগিব আৰু এটা ভাল অৱস্থানৰ অধিকাৰী হ'ব লাগিব। আমাৰ মগজুত জ্ঞানৰ সলনি জাৱৰ ভৰোৱাই দিয়া হৈছে। যাৰবাবে লক্ষ্যহীনভাৱে আমি অন্ধ হৈ অন্ধকাৰৰ ফালে গতি কৰি আছো। মৰিশালিত চতুৰতাৰ কি কাম ? মানুহৰ স্বভাৱ সহজসৰল হোৱা উচিত, চতুৰালি আনৰ হিতাৰ্থে প্ৰয়োগ কৰা উচিত।মনৰ বিবেকৰ অন্ধকাৰ আঁতৰাই জ্ঞানবুদ্ধিৰ জৌতি প্ৰজ্বলিত কৰক। নহলে কথা এষাৰ আছে নহয় আনৰ কাৰণে গুল পুতিলে বোলে নিজে ফুটি মৰে।

# বান

**ৰাজলক্ষ্মী বৰঠাকুৰ,দেৰগাঁও**



বান তই আকৌ আহিলি,
অসমী আইৰ সোণসেৰিয়া বুকু
লুইতৰ পানীৰে উপচাই পেলালি,
আশাৰ কঠিয়াবোৰ মোহাৰি পেলালি
বুকুৰ আপোনজনক কাঢ়ি লৈ গলি।
ভয়ত আতুৰ মানুহৰ চিঞৰত
লুইতৰ বুকুকঁপি উঠিছে।
হাঁহি বোৰ কান্দোনত পৰিণত হ'ল,
হেৰাই গল জীৱনৰ ৰঙবোৰ
কাবৌ কৰিছোঁ বান তই উভতি যা
অসমী আইৰ বুকুত
মৰণৰ ফান্দ আৰু নাপাতিবি।

# পাৰ্থিৱ খ্যাতি কেৱল বতাহৰ নিশ্বাস

ওলাল। তেওঁ বিলাতত প্ৰায় সাত বছৰ কাল থাকিল। এই সময়ছোৱাত তেওঁ বিভিন্ন পদ্ধতিৰে কেইবাটাও ইউৰোপীয় ভাষা আয়ত্ব কৰিলে। অক্সফোৰ্ডত থকা পোলেণ্ডৰ এজন কৃতবিদ্য পণ্ডিত শ্বপটৰ পৰা তেওঁ বিদেশী ভাষা শিকাৰ কৌশলসমূহ সযতনেৰে শিকিছিল। এই ক্ষেত্ৰত তেওঁ পৰোক্ষভাৱে উপকৃত হ'ল বিখ্যাত বুৰঞ্জীবিদ দ্য হিষ্টৰি অৱ দ্য ডিক্লাইন এণ্ড ফল অৱ ৰোমান এম্পাইৰৰ প্ৰণেতা, ইংৰাজী ভাষাৰ ওজা এডৱাৰ্ড গিবন (১৭৩৭-১৭৯৪)ৰ আত্মজীৱনীৰ এষাৰ কথাৰ দ্বাৰা। উল্লেখ্য যে এডৱাৰ্ড গিবন আছিল সম্পূৰ্ণৰূপে এজন আত্মশিক্ষিত ব্যক্তি। তেওঁ কোনো বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা নাছিল। গ্ৰীক ভাষা আয়ত্ব কৰিবৰ বাবে গিবনে হোমাৰৰ মহাকাব্য দুখন ভালকৈ পঢ়িছিল বুলি আত্মজীৱনীত লিখি গৈছে। হোমাৰে সেই সময়ৰ সমাজ আৰু গ্ৰীকসকলৰ জীৱন ধাৰণক বিস্তৃতভাৱে বৰ্ণনা কৰিছিল আৰু সেইবাবে তেওঁৰ শব্দ সম্ভাৰো আছিল বিপুল। গিবনে নিজে নিজে গ্ৰীক ভাষা শিকা আৰু তাৰবাবে হোমাৰৰ মহাকাব্য বিতংকৈ অধ্যয়ন কৰা কথা দুটাই তৰুণ সন্দিকৈক বিশেষভাৱে প্ৰেৰণা যোগাইছিল। সন্দিকৈৰ নিজৰ ভাষাত এয়া বৰ লাগতিয়াল আছিল আৰু তাৰ পৰা তেওঁ বহুমূলীয়া সংকেত আৰু উদ্‌গনি পাইছিল। অক্সফোৰ্ডত সন্দিকৈয়ে আধুনিক বুৰঞ্জীৰ পদ্ধতিগত অধ্যয়ন শিকিছিল বিখ্যাত টিউটৰ এফ্ৰেইম লিপচন (১৮৮৮-১৯৬০)ৰ অধীনত। লিপচন আছিল আধুনিক ইংলেণ্ডৰ অৰ্থনৈতিক বুৰঞ্জীৰ এজন বিশেষজ্ঞ আৰু প্ৰসিদ্ধ লিখক। তেওঁৰ ওচৰত সন্দিকৈয়ে নিয়মিতভাৱে প্ৰাসংগিক গ্ৰন্থৰ পৰ্য্যালোচনা দাখিল কৰিছিল আৰু সেইবোৰৰ ওপৰত দুয়োজনৰ মাজত বিস্তৃত আলোচনা হৈছিল। অক্সফোৰ্ডত থকা দিনত সন্দিকৈয়ে দিনে ১২/১৩ ঘণ্টা অধ্যয়ন কৰিছিল। অক্সফোৰ্ডৰ বেডক্লীফ্ কেমেৰা নামৰ লাইব্ৰেৰীটোত ৰাতি ১০ বজালৈকে তেওঁ কিতাপ পঢ়িছিল। সন্দিকৈ থকা ঠাইৰ পৰা এই লাইব্ৰেৰীটো অন্ততঃ দুমাইল আঁতৰত আছিল। ঘৰলৈ খোজ কাঢ়ি আহি ৰাতি প্ৰায় ১ বজামানলৈকে অক্সফোৰ্ডৰ আধুনিক বুৰঞ্জীৰ শিক্ষক লিপচনে ঠিক কৰি দিয়া গ্ৰন্থবোৰৰ বিস্তৃত টোকা আৰু পৰ্য্যালোচনা তেওঁ প্ৰস্তুত কৰিছিল। লিপচনে সন্দিকৈক অতি ওখ খাপৰ চাৰ্টিফিকেট প্ৰদান কৰিছিল। সন্দিকৈয়ে এইখনকলৈ বেছ গৌৰৱ অনুভৱ কৰিছিল। পৰৱৰ্তী সময়ত সন্দিকৈয়ে পেৰিছ আৰু বাৰ্লিনত বিভিন্ন ভাষাৰ সাহিত্য আৰু সেইসমূহ সাহিত্যৰ বুৰঞ্জী ফঁহিয়াই পঢ়িছিল। ইয়াতেই তেওঁ জাৰ্মানীৰ জ্ঞান সাধনাৰ সৈতে বিশেষভাৱে পৰিচিত হয়। সন্দিকৈৰ ভাষাত জাৰ্মান বিশ্ববিদ্যালয়ত পঢ়ি পৰীক্ষাত পাছ কৰা বা ডিগ্ৰী লাভ কৰা অতি সহজ কাম। কিন্তু জাৰ্মান অধ্যয়ন আৰু আলোচনা প্ৰণালী আয়ত্ব কৰা সহজ নহয়। কাৰণ সি হৈছে এটা ব্ৰত, এটা বিশেষ মানসিক প্ৰবৃত্তিৰ ওপৰত প্ৰতিষ্ঠিত। তাৰ কাৰণে অবিশ্ৰান্ত পৰিশ্ৰম, তীক্ষ্ণ দৃষ্টি আৰু সুদীৰ্ঘ চৰ্চাৰ আৱশ্যক। এই প্ৰসংগত জাৰ্মান বিশ্ববিদ্যালয়ত কিদৰে প্ৰাচীন সংস্কৃত চৰ্চা কৰা হয়, তাৰ এখন ছবি বিখ্যাত ভাৰতীয় দাৰ্শনিক জিতেন্দ্ৰনাথ মহান্তিয়ে প্ৰসিদ্ধ জাৰ্মান সংস্কৃতজ্ঞ Ernst Waldshmist ৰ শ্ৰেণী কোঠাৰ পাঠদানৰ উদাহৰণ দি এনেদৰে ডাঙি ধৰিছে ঃ " He put a needle through a palm leave manuscript, opened the manuscript where the needle stopped, asked me to explain that page - first to translate it, then to point out grammatical problem and then raise questions and so forth. এই সংস্কৃত পণ্ডিতজনাই লগতে ছাত্ৰক কৈছিল যে- My goal is to train you in such a way that given a fragment of a manuscript, you can make of it, date it, build a reasonable hypothesis about its type, internal and external, cross references, produce a translation, and raise a host of questions." কৃষ্ণকান্ত সন্দিকৈৰ পদ্ধতিগত জ্ঞান চৰ্চা আৰু গভীৰ পাণ্ডিত্যৰ আঁৰত জাৰ্মানীৰ জ্ঞান সাধনাৰ এনে দৃষ্টিভংগী আৰু অনুশীলন লুকাই আছিল বুলি আমি ক'ব পাৰো।

আগলৈ......

# জোন মৰা তিথি

**চবিন চন্দ্ৰ নাথ,মৈৰাপুৰ, ৰাণী, কামৰূপ**



দয়াহীন এটা দিনে
মোৰ হৃদয়ত
বহু আঘাতেৰে
পৰাস্ত কৰা
জোন মৰা তিথিৰ
পতাকা উৰালে।
মোৰ সুস্থ মস্তিস্কই
ঠিক তেতিয়াই
নায়কৰ ৰূপত ঠিয় হৈ
মুৰ ডাঙি জীয়াই থাকিবলৈ
কলা কৌশল শিকালে।
আৰু মই বুজিলো
নিৰ্মম সময় আৰু সবল চিন্তাৰ
মাজত দুৰ্ভেদ্যৰ বেৰ থাকে।

# উত্তপ্ত বাংলাদেশৰ পৰা

বাংলাদেশৰ পৰা স্বদেশলৈ উভতি অহা ভাৰতীয় শিক্ষাৰ্থীৰ সংখ্যা ৯৯৮। বৈদেশিক মন্ত্ৰালয়ে বাংলাদেশত থকা শিক্ষাৰ্থীসকলৰ সৈতে যোগাযোগ অব্যাহত ৰাখি শীঘ্ৰে ওভতাই অনাৰ প্ৰক্ৰিয়া চলাই আছে। উভতি অহা শিক্ষাৰ্থীসকলৰ ভিতৰত অসমৰ শিক্ষাৰ্থী আছে বুলি জানিব পৰা গৈছে। এইসকলৰ ভিতৰত একাংশ শিক্ষাৰ্থী মেঘালয়ৰ ডাউকি-বাংলাদেশ সীমান্তৰে আৰু ৪১ জনীয়া এটা দল কৰিমগঞ্জ সুতাৰকান্দী আন্তঃৰাষ্ট্ৰীয় স্থল বন্দৰেৰে অসমলৈ উভতি আহিছে। তথ্য মতে চিটাগং, ৰাজশ্বাহী, চিলেট আৰু খুলনাৰ পৰা এই শিক্ষাৰ্থীসকল স্বদেশলৈ উভতি আহিছে। ভাৰতীয় দূতাবাসে প্ৰকাশ কৰা মতে, বাংলাদেশত অধ্যয়নৰত ভাৰতীয় শিক্ষাৰ্থী আছে ৮, ৫০০ আৰু নাগৰিক আছে ১৫ হাজাৰৰো অধিক। ভাৰতীয় লোকৰ সৈতে দূতাবাসে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আছে। উল্লেখ্য যে মুক্তিযোদ্ধা পৰিয়াললৈ ৩০ শতাংশ চৰকাৰী চাকৰিত সংৰক্ষণসহ বিভিন্ন সংৰক্ষণ ব্যৱস্থা যোৱা জুন মাহত হাছিনা চৰকাৰে বলবৎ কৰিছিল। ইয়াকে লৈ দেশখনৰ ছাত্ৰ সমাজ বিদ্ৰোহত নামি পৰিছে। উনুকিয়াব লাগিব যে চৰকাৰী চাকৰিত সংস্থাপন ব্যৱস্থা ২০১৮ চনত প্ৰত্যাহাৰ কৰা হৈছিল যদিও হাছিনা চৰকাৰে যোৱা জুন মাহত এই ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰাক লৈ ছাত্ৰ সমাজৰ মাজত বিদ্ৰোহে উক দিয়ে আৰু এই বিদ্ৰোহে এতিয়া বাংলাদেশক ৰক্তাক্ত কৰি তুলিছে। প্ৰতিবাদী ছাত্ৰ সমাজে দাবী কৰা মতে, চৰকাৰী চাকৰিত ৩০ শতাংশ মুক্তিযোদ্ধা পৰিয়ালৰ বাবে সংৰক্ষিত ব্যৱস্থাই শাসকীয় হাছিনাৰ দল আৱামী লীগক লাভৱান্বিত কৰিব। দেশখনত বৃদ্ধি পাই থকা যুৱ শিক্ষিত নিবনুৱাৰ জীৱন অনিশ্চয়তাৰ দিশে আগবঢ়াই লৈ যাব। মুক্তিযোদ্ধা পৰিয়ালৰ বাবে সংৰক্ষিত ব্যৱস্থাটো সংস্কাৰৰ দাবী ছাত্ৰ সমাজে কৰিছে। ১৯৭১ চনত পাকিস্তানৰ পৰা বাংলাদেশ স্বাধীন হোৱাত যিসকলে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল সেইসকলৰ পৰিয়ালে চৰকাৰী চাকৰিত অধিক লাভৱান্বিত হ'ব। ফলত দেশখনত মেধা শিক্ষাৰ্থী বৈষম্যৰ বলি হ'ব। উল্লেখ্য যে উচ্চ ন্যায়ালয়ে চৰকাৰী চাকৰিত সংৰক্ষণ ব্যৱস্থা পুনৰ বাহাল কৰাৰ পাছতে দেশখনত ছাত্ৰ বিদ্ৰোহে চূড়ান্ত ৰূপ লৈছে। ১৭০ নিযুত জনসংখ্যাৰ দেশখনত বৰ্তমান প্ৰায় ৩২ নিযুত যুৱ সংস্থাপনহীন হৈ আছে। এনে পৰিপ্ৰেক্ষিতত হাছিনা চৰকাৰৰ পদক্ষেপ অগ্ৰহণযোগ্য বুলি অভিযোগ কৰি ছাত্ৰ সমাজে সংৰক্ষণ ব্যৱস্থা প্ৰত্যাহাৰৰ দাবীৰে জুলাইৰ প্ৰথমৰ পৰাই আন্দোলনত নামি পৰে। আন্দোলনত নমা শিক্ষাৰ্থীৰ ওপৰত হাছিনা চৰকাৰৰ আৰক্ষীয়ে দমনমূলক নীতি গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিততে পৰৱৰ্তী পৰ্যায়ত এই আন্দোলনে ভয়াবহ ৰূপ লৈছে।

# যোৰহাটত দেউৰাম তাছা

সাহিত্য জীৱনৰ আৰম্ভণিৰ কালছোৱা, বিশেষকৈ অসম আন্দোলনত অংশ গ্ৰহণ কৰি কাৰাৰুদ্ধ অৱস্থাত ৰচনা কৰা, অসম সাহিত্য সভাৰ বঁটা লাভ কৰা নিজৰ প্ৰথমখন উপন্যাস 'অবিৰত যাত্ৰা'ৰ ৰচনাকালৰ কথা আবেগেৰে স্মৰণ কৰে আৰু তেওঁৰ সাহিত্যসৃষ্টিৰ যাত্ৰাপথত সময়ে সময়ে উৎসাহিত কৰি অহাৰ বাবে অসম সাহিত্য সভাক আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰে। 'ডিম্বেশ্বৰ তাছা স্মাৰক বঁটা' প্ৰাপ্ত অনিল তাঁতীয়ে এই বঁটাই অসমৰ সমাজ-শিক্ষা-সংস্কৃতিৰ বাবে কাম কৰি যাবৰ বাবে তেওঁক আজীৱন প্ৰেৰণা যোগাব বুলি মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, 'দেউৰাম তাছা স্মাৰক বঁটা'ত আছে নগদ বিশ হাজাৰ টকা, গামোচা, চেলেং, জাপি, ফুলৰ তোৰা, স্মাৰক, সম্বৰ্ধনা পত্ৰ আদি। আনহাতে 'ডিম্বেশ্বৰ তাছা স্মাৰক বঁটা'ত অন্যান্য সামগ্ৰীসমূহৰ লগতে আছে নগদ দহ হাজাৰ টকা। এই অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত শিক্ষক তথা সাহিত্যসেৱী কৃষ্ণবাহাদুৰ ছেত্ৰী, মাণিক চন্দ্ৰ মহন্ত, মৃণালিনী গোস্বামী আৰু হেমচন্দ্ৰ হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিৰ সন্মানীয় অতিথি হিচাপে সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ উপসভাপতি দিগন্ত তাছা, বিশিষ্ট সাহিত্যিক জয়ন্ত মাধৱ বৰা, অসম সাহিত্য সভা কেন্দ্ৰীয় কাৰ্যালয়ৰ প্ৰাক্তন সম্পাদক তথা মুক্ত শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰক ৰমানন্দন বৰা, ৰামধেনু উপশমিতিৰ আহ্বায়ক অজিত প্ৰসাদ শৰ্মা আৰু অসম সাহিত্য সভাৰ যোৰহাট জিলাৰ প্ৰতিনিধি মাধৱ মহন্ত উপস্থিত থাকে। শিল্পী ৰশ্মি বৰদলৈৰ কণ্ঠৰ বৰগীত আৰু চুহানা বেগমৰ কণ্ঠৰ ভূপেন হাজৰিকাৰ গীতে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। শলাগ জ্ঞাপন কৰে যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মিতালী শইকীয়াই। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক প্ৰতাপ চন্দ্ৰ বৰুৱা, অসম তত্ত্ব গৱেষণা সংস্থানৰ সঞ্চালক ড° ৰাতুল চন্দ্ৰ বৰা আৰু পঞ্জীয়ক ড°অদিতি বেজবৰুৱা, যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় নলিনীবালা হাজৰিকা আৰু নীৰদা গগৈ বৰা, যোৰহাট সাহিত্য সভাৰ সভাপতি যুগল কিশোৰ আগৰৱালা, অসম সাহিত্য সভাৰ প্ৰধান সচিব অশোক কুমাৰ সেনাপতি, অসম সাহিত্য সভা মুক্ত শিক্ষা সংসদৰ আহ্বায়ক তুফেল জিলানী, সভাৰ আইন উপদেষ্টা সুদীপ্ত নয়ন গোস্বামী, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক আৰু সভাৰ শতবৰ্ষীয় প্ৰকল্পৰ আহ্বায়ক সন্তোষ কুমাৰ দত্ত, অসম সাহিত্য সভা সংবাদৰ সম্পাদক গৌতম গগৈ, দেউৰাম তাছাদেৰৰ পৰিয়ালৰ সদস্য অশ্বিনী তাছা, কবিতা তাছা, আটছা প্ৰমুখ্যে বহুকেইটা সংগঠনৰ কেইবাগৰাকীও বিষয়ববীয়া, সাহিত্যিক পেঞ্চনাৰ ডিম্বেশ্বৰী দাস, সাহিত্যসেৱী দেবেন তাছা, ড° বিপিন খড়ীয়া, তপন চন্দ্ৰ দত্ত, ৰেণু বৰা, ড° মধুস্মৃতা বৰুৱা চাংকাকতি, অৰন্তিকা পৰাশৰ, পৰাণ বৰুৱা, ৰবীন বৰকটকী, বিপিন খড়ীয়া, ধীৰেন্দ্ৰকুমাৰ গগৈ, জীৱনকৃষ্ণ গোস্বামী, সঞ্জীৱ কুমাৰ বৰুৱা, শিৱৰাম বৰুৱা, গোপাল দত্ত, আশিস পাটোৱা, ড° অঞ্জুমণি শইকীয়া, চায়েৰা ৰহমান, ৰূপা নেওগ হাজৰিকা, অনুপ অৰূপ গোস্বামী, আৰেছা বেগম, পলি বৰবৰুৱা, ৰণজিৎ গগৈ, প্ৰশীল কুমাৰ বৰা, প্ৰফুল্ল ভুএগ, গণেশ কছাৰী, বসন্ত কুমাৰ বৰা, ভানু বৰা হাজৰিকা, কল্পনা বড়া, নিজৰা লাহন, ৰজনীগন্ধা চেতিয়া, জগন্নাথ গোৱালা, অনুৰাগ মহন্ত প্ৰমুখ্যে শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানটিৰ অন্ত পৰে।

# উত্তৰ প্ৰদেশৰ গোণ্ডাত

ৰে'লৰেৰ উচ্চস্তৰীয় বিষয়াসকলো সেই স্থানত গৈ উপস্থিত হৈছে। অৱশ্যে এতিয়ালৈকে এই দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই। বিয়লি প্ৰায় ৩-৩০ বজাত সংঘটিত হোৱা এই দুৰ্ঘটনাৰ সময়ত ৰে'লখনত অসমৰো বহু কেইজন যাত্ৰী থকাটো নিশ্চিত হৈছে। ইফালে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে দুৰ্ঘটনাৰ ভয়াবহতাৰ কথা উপলব্ধি কৰি ততকালীনভাৱে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো এই দুৰ্ঘটনাৰ সন্দৰ্ভত পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ যাত্ৰীসকলে যাতে কোনো কাৰণতে সমস্যাৰ সন্মুখীন হব নালাগে তাৰ প্ৰতি লক্ষ্য ৰাখি সকলোধৰণৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰিছে।

# ৰাঁচীত বিজেপিৰ

ভাৰতীয়ৰ হৃদয়ত ৰাম থাকে, ৰাম প্ৰত্যেক ভাৰতীয়ৰ সূৰ্য। মহাত্মা গান্ধীয়ে জীৱনজুৰি ৰামৰ তপস্যা কৰিছিল। এতিয়া কংগ্ৰেছ আৰু সেই বিশেষ সম্প্ৰদায়ে গান্ধীজীয়েও ভুল কৰিছিল বুলি ক'ব নেকি? সূৰ্য আৰু চন্দ্ৰ থকালৈকে জয় শ্ৰীৰাম আমাৰ হৃদয়ত বৰ্তি থাকিব। সেইদৰে ঝাৰখণ্ডত মহৰমৰ সময়ত পেলেষ্টাইনৰ পতাকা উৰুওৱাৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ঘটনাৰ পাছত চৰকাৰে কৈছিল- সেয়া সৰু ল'ৰাই উৰুৱাইছিল। কিন্তু সেই পতাকা কোনে নিৰ্মাণ কৰিছিল? ঝাৰখণ্ডত বিজেপি চৰকাৰ আহিলে পেলেষ্টাইনৰ পতাকা উৰুওৱাসকলৰ বিৰুদ্ধে দেশৰ সংবিধান অৱমাননাৰ গোচৰ ৰুজু কৰা হ'ব বুলি, মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে জে এম এম চৰকাৰৰ কাৰ্যকাল আৰু তিনি মাহ আছে। অনুপ্ৰৱেশকাৰীৰ ভোটেৰে তেওঁলোকে বহুদিন ৰাজত্ব কৰিব নোৱাৰে। এইবাৰৰ নিৰ্বাচন কাৰোবাক বিধায়ক নিৰ্বাচিত কৰাৰ নিৰ্বাচন নহয়, ঝাৰখণ্ডৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰহে নিৰ্বাচন। ঝাৰখণ্ড চৰকাৰে চৰকাৰী চাকৰিৰ বিজ্ঞাপনত অনুসূচিত জাতিৰ বাবেও সংৰক্ষণৰ ব্যৱস্থা নৰখাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অথচ তেওঁলোকেই সংবিধান ৰক্ষাৰ কথা কয়। হাতত সংবিধান ল'লেই সংবিধান ৰক্ষা নহয়, কাম-কাজো সংবিধান অনুসৰি কৰিব লাগে। আসন্ন বিধানসভা নিৰ্বাচনত ৰাজ্যখনত যদি বিজেপি জয়ী হ'ব নোৱাৰে, অহা সময়ত ঝাৰখণ্ডত আৰু পেলেষ্টাইনৰ পতাকা দেখা যাব, ৰামনৱমীৰ অনুষ্ঠানত আৰু অধিক হুলস্থূল হ'ব। ঝাৰখণ্ডৰ বিজেপি দলৰ কাৰ্যকৰ্তাসকলক সঁচাই দেৱতুল্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ঝাৰখণ্ডত এইবাৰ বিজেপিৰ চৰকাৰ গঠন হ'লে দেশৰ ৫খন আগশাৰীৰ ৰাজ্যৰ ভিতৰত ঝাৰখণ্ডকো গঢ়ি তোলা হ'ব।

# A Step Towards Humanity: Axomiya Yuva Jagaran Samiti's Noble Endeavor

**Nikunja Sharma**

In a world where progress often overshadows compassion, few possess the courage to step forward and make a tangible difference. On July 10, 2024, the Axomiya Yuva Jagaran Samiti, an organization steadfast in its dedication to societal development, undertook a heartwarming initiative. Under the guidance of Social Service Secretary of the organisation; Miss Swarnali Debnath; the team reached out to the underprivileged, distributing clothes to those who have yet to experience the comfort and happiness many of us take for granted.

This noble act was spearhead by the Joint Secretary cum co-founder of the organisation; Mr. Nikunja Sharma, who took charge of the project with unwavering commitment. Alongside him, dedicated members Darhaswar Khungur Bodo, Aswini Kumar Deka, Purnima Medhi, Sneha Biswas and Kankhi Biswas worked tirelessly to ensure the success of the initiative.

The distribution drive, carried out with meticulous planning and heartfelt sincerity, highlighted the Samiti's unwavering commitment to uplifting society's marginalized sections. As we reflect on this commendable effort, it reminds us that progress is not just measured by economic growth but by the empathy and support we extend to our fellow human beings. The Axomiya Yuva Jagaran Samiti's initiative is a poignant reminder that we all have the capacity to make a difference, one kind gesture at a time.

## ENGLISH NEWS SECTION

# Industries and Commerce etc Minister calls on the Governor



Guwahati, RB News- Industries & Commerce and Public Enterprise & Cultural Affairs Minister Bimal Borah called on Assam Governor Shri Gulab Chand Kataria at Raj Bhavan and discussed issues relating to Industries & Commerce and Cultural Affairs. The minister apprised the Governor of the industrial landscape prevailing in the state and the volume of investments made in the private and public sector to revamp the process of industrialization. The Minister also informed the Governor of the start up initiatives and different entrepreneurial ventures. The duo also discussed the incentives being provided by the government to promote industrialization in the state. The meeting also featured discussion on the incentives given by the Central government to expedite the rate of industrial development in the state. Minister Borah also informed the Governor about the heritage institutions Satras, Namghars and the government's policy to promote art and culture of the state.

# ICSI 5th National Conference of Corporate CS in Kolkata




Guwahati, RB News- The 5th National Conference of Corporate CS of the Institute of Company Secretaries of India (ICSI) was inaugurated in Kolkata on 19 July 2024 on the theme Corporate CS: Transforming Governance for Viksit Bharat. Shri Vivek Gupta, Managing Director & Chief Group Editor, SANMARG presided over as the Chief Guest at the programme. Appreciating the role of Company Secretaries and highlighting their importance in the Corporate World, Shri Vivek Gupta said, "From advising Boards to providing ease of doing business, from streamlining compliances to providing suggestions to the Government, the hope of good governance in India Inc., rests with Company Secretaries today". He further added "the role of a Company Secretary has taken a new dimension as they have undertaken a wide gamut of important jobs in their stride". CS B Narasimhan, President, the ICSI, echoed the sentiments of the Chief Guest while talking about the evolving role of Company Secretaries in building a vibrant India under Viksit Bharat. He then emphasized on how the ICSI is committed to fostering a culture of Good Governance and is building capacities of professionals alongside expanding its presence globally.The event is set to witness Leaders from trade and industry, senior corporate professionals, corporate directors, senior officers from the government, and other stakeholders who will deliberate on the following technical sessions spanning two days:

- SEBI LODR: Latest Amendments, Issues & Clarifications
- Framework and Trends for ESG Reporting
- Digitizing Governance: Building Efficacy
- Thought Leadership: Changing Board Dy namics

The Institute also announced two of its forth coming programmes, ICSI Middle East Conference on 4-5-6 September 2024 in Abu Dhabi, UAE; and 52nd National Convention of Company Secretaries on 8-9-10 November 2024 in Mumbai, CS Asish Mohan, Secretary, the ICSI presented the Vote of Thanks

# India defeated Pakistan by seven wickets




RB News- India defeated Pakistan by seven wickets in their Women's Asia Cup 2024 opener in Dambulla on Friday. India chased down 109-run target in 14.1 overs, recording their biggest win against Pakistan in terms of balls remaining (35) in a full men's or women's T201 match. Smriti Mandhana scored 45(31), while Shafali Verma scored 40(29) in the match.

# Two Assam shuttlers selected for Championship in Sri Lanka



RB News- Badminton athletes, Bijoy Barman and Arup Buragohain from Assam have been selected to represent India in the Ceylon Masters International Badminton Championship 2024 which is to be held in Colombo, Sri Lanka. The championship will be held from July 25 to July 28, 2024. Bijoy Barman will represent India in the doubles and mixed doubles events of the tournament.

# India squads for Sri Lanka tour announce



RB News- The BCCI on Thursday announced Team India squads for the upcoming white-ball tour of Sri Lanka. Suryakumar Yadav has been named captain for the T20I series. Rohit Sharma and Virat Kohli have been included in the ODI squad, while Jasprit Bumrah has been rested. Rishabh Pant and Riyan Parag have been included in both the ODI and T20I squads.

# হাৰিয়ানাৰ কংগ্ৰেছ বিধায়ক সুৰেন্দৰ পানৱাৰক ইডিৰ গ্ৰেপ্তাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় সংস্থা এনফ'ৰ্চমেন্ট সঞ্চালকালয় (ইডি)য়ে খনি কেলেংকাৰিৰ গোচৰত হাৰিয়ানাৰ কংগ্ৰেছ বিধায়ক সুৰিন্দৰ পানৱাৰক গ্ৰেপ্তাৰ কৰিছে। হাৰিয়ানাৰ ছোনিপটৰ তেওঁৰ ঘৰৰ পৰা ইডিয়ে গ্ৰেপ্তাৰ কৰে কংগ্ৰেছ বিধায়কজনক। ৰাজ্যখনৰ যমুনা নগৰ অঞ্চলৰ অবৈধ খনন গোচৰত জড়িত থকাৰ অভিযোগতে বিধায়কগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰৰ পাছতে ইডিয়ে পানৱাৰক আম্বালাৰ ইডি কাৰ্যালয়লৈ আনে আৰু আদালতত হাজিৰ কৰায়। ইয়াৰ পূৰ্বে এইবছৰৰ ৪ জানুৱাৰীত ই ডিৰ এটা দলে ছোনিপটত সুৰেন্দৰ পানৱাৰ আৰু তেওঁৰ একাংশ ঘনিষ্ঠৰ বাসগৃহত তালাচী চলাইছিল। এই অভিযানত বিধায়কগৰাকীৰ বাসগৃহ আৰু



কাৰ্যালয়ৰ পৰা ইডিয়ে কেতবোৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰিছিল। চলিত সপ্তাহত মহেন্দ্ৰগড়ৰ কংগ্ৰেছ বিধায়ক ৰাও দান সিঙৰ বাসগৃহ আৰু কাৰ্যালয়ত একেই দুৰ্নীতিৰ অভিযোগত তালাচী চলাইছিল সংস্থাটোৱে। আগন্তুক হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ পূৰ্বে এয়া তাৎপৰ্যপূৰ্ণ ঘটনা হিচাপে চিহ্নিত হৈছে।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286